


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত



ত্ৰয়োদশ বছৰ ■ সংখ্যা ৪৫ ■ গুৱাহাটী ■ মঙলবাৰ, ২০ ছেপ্টেম্বৰ, ২০২২, ৩ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 45 Dainandin Barta ■ Guwahati, Tuesday ■ 20 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only

বোকাখাতত অবৈধভাৱে ট্ৰাকত কঢ়িয়াই অনা ৪৭টা গৰুৰ মৃত্যু ঃ চালকক আটক, ট্ৰাক জব্দ

# মৃত্যু ৪৮টা গৰুৰ ৪৭টা গৰু



## মেৰাপানীত গো-মাফিয়াৰ বৃহৎ ছিণ্ডিকেট ঃ নিশা চোৰাং গৰুৰ গাড়ীলৈ লক্ষ্য কৰি আৰক্ষীৰ গুলীচালনা ঃ দুখন গৰুভৰ্তি বাহন জব্দ, অপৰাধীৰ পলায়ন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা আৰু সেৱা, বোকাখাত, ১৯ ছেপ্টেম্বৰ ঃ** অবিশ্বাস্য, অকল্পনীয়, হৃদয়বিদাৰক, বেদনাদায়ক। পাণ জপাদি জাপি অনা এখন ট্ৰাকত ৪৮টা অবৈধভাৱে অনা গৰুৰ ৪৭টা গৰুৰেই মৃত্যু ঘটিছে। এটা গৰু বাচি আছে যদিও সেইটোৰ অৱস্থাও সংকটজনক। এই ঘটনা সংঘটিত হৈছে পশুপালন মন্ত্ৰী অতুল বৰাৰ গৃহ সমষ্টি বোকাখাতত। ৰাজ্যত আজিও অব্যাহত আছে অবৈধ গৰু সৰবৰাহৰ ■ ৮ পৃষ্ঠাত



বকোৰ নিজ বেকেলীত বিধৱা মহিলাক আতিশয্য চলালে গঞা ৰাইজে

## পদূলিত জেওৰা দি বন্ধ কৰি দিলে ঘৰৰ প্ৰৱেশ পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১৯ ছেপ্টেম্বৰ ঃ** বকো থানাৰ অন্তৰ্গত নিজ বেকেলীত সংঘটিত হৈছে মানৱ সমাজক লজ্জানত কৰা এক ঘটনা। যি সময়ত বিজেপি নেতৃত্বাধীন চৰকাৰে নাৰীৰ কাৰণে বিভিন্ন আঁচনি প্ৰস্তুত কৰি দেশৰ মহিলাক সবলীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰি ■ ৮ পৃষ্ঠাত



## উদ্যোগ মন্ত্ৰী বিমল বড়াক সাক্ষাৎ থাইলেণ্ডৰ ৰাষ্ট্ৰদূতৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** থাইলেণ্ডৰ ভাৰতস্থ ৰাষ্ট্ৰদূত পাট্টাৰাত হংটঙে আজি জনতা ভৱনত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াক সাক্ষাৎ কৰে। দেশখনৰ অৰ্থনীতি ■ ৮ পৃষ্ঠাত

আমিনীৰ মৃত্যুক লৈ জ্বলিছে ইৰাণ

## হিজাব জ্বলাই, মুণ্ডন কৰি মহিলাৰ প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ ছেপ্টেম্বৰ ঃ** হিজাব পৰিধান নকৰাৰ 'অপৰাধ'ত ইৰাণত আৰক্ষীয়ে আটক কৰি নিয়া মাহচা আমিনী নামৰ এগৰাকী ২২বছৰীয়া মহিলাৰ আৰক্ষীৰ জিম্মাতে মৃত্যু হোৱাক কেন্দ্ৰ কৰি এতিয়া দেশখনত প্ৰতিবাদৰ দাবানল জ্বলি উঠিছে। আমিনীৰ মৃত্যুৰ প্ৰতিবাদত বহু মহিলাই আজি নিজৰ চুলি কাটি প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে হিজাব জ্বলাই দিয়ে। ইৰানৰ এগৰাকী সাংবাদিক আৰু মানৱাধিকাৰ কৰ্মী মাছিহ আলিনেজাদে তেওঁৰ ছ'চিয়েল মিডিয়া একাউণ্টত মহিলাসকলে চুলি কাটি থকাৰ এটা ভিডিঅ' শ্বেয়াৰ কৰি লিখিছে, 'আৰক্ষীয়ে মাহচা আমিনীক হত্যাৰ প্ৰতিবাদত ■ ৮ পৃষ্ঠাত

বিদ্যুতৰ ৰাজহ ঘাটি পূৰাবলৈ মাচুল জাপি দিলে অলক্ষিতে

## ৰাজ্যজুৰি প্ৰতিবাদ ভুক্তভোগী ৰাইজৰ

### বাৰ্ষিক ঘাটি ৭৮০ কোটি টকাৰ মোকাবিলা কৰিবলৈ মাচুল বৃদ্ধি

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৯ ছেপ্টেম্বৰ ঃ** অসমত বিভিন্ন স্থানত বিদ্যুৎ গ্ৰাহকে মাহেকীয়া মাচুল পূৰ্বৰ তুলনাত কেইবাগুণ অধিক পৰিমাণে আদায় দিবলগীয়া হোৱা পৰিস্থিতিৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা দেখা গৈছে। প্ৰকৃততে চলিত বৰ্ষৰ এক এপ্ৰিলৰ পৰাই ■ ৮ পৃষ্ঠাত

## মিছিং ভাষাৰ ছমহীয়া পাঠ্যক্ৰমৰ পৰীক্ষাৰ ফলাফল ঘোষণা

## ১৬,৭৯৮ পৰীক্ষাৰ্থীৰ ১৫,৫৬৫ পৰীক্ষাৰ্থী উত্তীৰ্ণ

উত্তীৰ্ণৰ হাৰ ৯৪.৬৫ শতাংশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৯ ছেপ্টেম্বৰ ঃ** বহু প্ৰতীক্ষাৰ অন্তত অৱশেষত মিছিং ভাষাৰ ছমহীয়া পাঠ্যক্ৰমৰ পৰীক্ষাৰ ফলাফল ■ ৮ পৃষ্ঠাত

## ৰে'লযোগে নিউ বঙাইগাঁৱলৈ আহিল সন্দেহজনক বাংলাদেশী নাগৰিক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** সন্দেহযুক্ত বাংলাদেশী নাগৰিকক ■ ৮ পৃষ্ঠাত

## অসম লজিষ্টিক এণ্ড ৱেৰহাউছিং পলিচী মুকলি

এমএছএমই আৰু উদ্যোগ খণ্ডৰ বাবে দুখন বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত



**অসমক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিবলৈ এম এছ এম ই খণ্ডই বৃহৎ ভূমিকা গ্ৰহণ কৰিব পাৰে ঃ মুখ্যমন্ত্ৰী শৰ্মা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী ■ ৮ পৃষ্ঠাত

## কবি, সাহিত্যিক মদিৰা শইকীয়া ভূঞাৰ আকস্মিক বিয়োগ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুবি, ১৯ ছেপ্টেম্বৰ ঃ** কবি, সাহিত্যিক তথা সমাজকৰ্মী মদিৰা শইকীয়া ভূঞাৰ (৪৮) কালি নিশা দুলীয়াজানৰ নিজা বাসগৃহত আকস্মিক বিয়োগ ঘটে। মদিৰা শইকীয়া ভূঞা অসম সাহিত্য সভাৰ আজীৱন সদস্য হোৱাৰ উপৰি সদৌ অসম কবি সন্মিলনৰ হিতৈষী সদস্য ■ ৮ পৃষ্ঠাত

## লাগে ক্ষমতা, ওলমালে তলা

আঠখেলীয়া নামঘৰ

**সংঘাতৰ পৰিণতিত নিৰাশ হৈ উভতিল শ শ ভকত-বৈষ্ণৱ ঃ নৱ-নিৰ্বাচিত পৰিচালনা সমিতিক অবৈধ ঘোষণা কৰ্ণধাৰ সমিতিৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ১৯ ছেপ্টেম্বৰ ঃ** ক্ষমতাকেন্দ্ৰিক সংঘাত তুংগত উঠিছে গোলাঘাট জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ পৰিচালনা সমিতি আৰু কৰ্ণধাৰ সমিতিৰ। ৰাজ্যৰ ধৰ্মীয় উপাসনাৰ অন্যতমস্থলী হিচাপে পৰিগণিত হোৱা শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰৰ দুটা পক্ষৰ সংঘাতক লৈ বিতুষ্ট হৈ পৰিছে ভক্তপ্ৰাণ ৰাইজ। নামঘৰ পৰিচালনাৰ দায়িত্বক লৈ দীৰ্ঘদিন ধৰি অব্যাহত ■ ৮ পৃষ্ঠাত



## বিশ্বনাথত গেলামালৰ দোকানত ওলাল দুটা বন্দুক

আটক দুই ব্যৱসায়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ১৯ ছেপ্টেম্বৰ ঃ** বিশ্বনাথত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আগমনৰ এদিন পূৰ্বেই বিশ্বনাথ নগৰৰ ৰাজ্যিক পৰিবহণ নিগম বাছ আস্থান চৌহদত উদ্ধাৰ কৰা হৈছে দুটাকৈ মাৰণাস্ত্ৰ। শ্ৰীশ্যাম ভাণ্ডাৰ নামৰ ব্যক্তিগত এখন ■ ৮ পৃষ্ঠাত

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উদ্বোধন কৰিলে বগীবিলত ৰে'লৱেৰ ৰিভাৰফ্ৰণ্ট জেটি

## ৰিভাৰফ্ৰণ্ট প্ৰকল্পই মাল্টিম'ডেল পৰিবহণৰ বিকাশ আৰু পৰ্যটনৰ সম্ভাৱনা বৃদ্ধি কৰিব



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নত তাৎপৰ্যপূৰ্ণভাৱে বিকাশ প্ৰদান কৰি ভাৰত চৰকাৰৰ কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী ■ ৮ পৃষ্ঠাত

## প্ৰাক্তন ছাত্ৰই নিজৰ বিদ্যালয়ত কৰিলে চোৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পুৰণিগুদাম, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামত আজি হাতে-লোটে ধৰা পৰিল এটা গভাইত চাইকেল চোৰ। পুৰণিগুদাম ৰাধাকান্ত ■ ৮ পৃষ্ঠাত

## ৰাজকীয় পৰম্পৰাৰে ব্ৰিটেইনৰ ৰাণী দ্বিতীয় এলিজাবেথৰ অন্ত্যেষ্টিক্ৰিয়া

**দেশ-বিদেশৰ হাজাৰ হাজাৰ শীৰ্ষ ৰাজনীতিকে যাচিলে শেষ শ্ৰদ্ধা ঃ প্ৰথমবাৰলৈ ৰাজপৰিয়ালৰ সদস্যৰ অন্ত্যেষ্টিক্ৰিয়াৰ দৃশ্যৰ পোনপটীয়া সম্প্ৰচাৰ ঃ দুই মিনিটৰ মৌনতা অৱলম্বন ঃ এটা যুগৰ অৱসান ঘটিল ঃ সমগ্ৰ বিশ্বই শেষ বিদায় জনালে ব্ৰিটেইনৰ ৰাণী দ্বিতীয় এলিজাবেথক**



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৯ ছেপ্টেম্বৰ ঃ** ৯৬ বছৰ বয়সত মৃত্যু হোৱা ব্ৰিটেইনৰ ৰাণী দ্বিতীয় এলিজাবেথৰ নশ্বৰদেহৰ আজি অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। সেই উপলক্ষে লণ্ডনত দেশ-বিদেশৰ অগণন ৰাষ্ট্ৰপ্ৰধানে ভিৰ কৰে। ৰাণী দ্বিতীয় এলিজাবেথৰ অন্ত্যেষ্টিক্ৰিয়া ■ ৮ পৃষ্ঠাত

## শোণিতপুৰ ন-বিলত ৪০০ মহিলাৰ সেউজ বিপ্লৱ



**মহিলাই নিজেই ট্ৰেক্টৰ চলাই ২০০০বিঘা মাটিত সৰিয়হ, ১০০০ বিঘা মাটিত ৰঙালাও, ৩৫০ বিঘা মাটিত মাটিমাহ, আলু খেতিৰে দেখুৱাইছে দৃষ্টান্ত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত বিহগুৰিৰ পুঠিমাৰীত ৪০০ৰ অধিক উদ্যমী মহিলাৰে গঠিত জয়মতী কৃষি উৎপাদক গোটৰ ■ ৮ পৃষ্ঠাত



# জামুগুৰি বাৰেচহৰীয়া ৰাইজ সভাৰ সৌজন্যত শ্ৰীমন্ত শংকৰদেৱৰ জন্ম-জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

## কৃতী ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন, 'গুৰু ৰত্নকমল ৰাজবংশীক সম্বৰ্ধনা, অনুষ্ঠিত হ'ব বিভিন্ন প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৯ ছেপ্টেম্বৰ ঃ** জামুগুৰিহাটৰ অন্যতম প্ৰাচীন আধ্যাত্মিক অনুষ্ঠান বাৰেচহৰীয়া ৰাইজ সভাৰ সৌজন্যত উত্তৰ জামুগুৰিৰ চামধৰা গাঁৱৰ ৰাইজৰ আতিথ্যত ৫ আৰু ৬ অক্টোবৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জন্ম-জয়ন্তী মহোৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। ইতিমধ্যে সেই উপলক্ষে এখন অভ্যৰ্থনা সমিতিও গঠন কৰা হৈছে। বাৰেচহৰীয়া ৰাইজ সভাৰ সভাপতি অতুল চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত সম্পাদক তোষেশ্বৰ বৰাই আঁত ধৰা আৰু চামধৰা গাঁৱত অনুষ্ঠিত সভাই গঠন কৰা সমিতিখন ক্ৰমে সভাপতি গোপাল বৰা, উপ-সভাপতি জিতেন শইকীয়া, সম্পাদক দিগন্ত বৰা, সহঃ সম্পাদক অৰূপজ্যোতি বৈশ্য, প্ৰচাৰ সম্পাদক হেমন্ত শইকীয়া, ৰঞ্জিত ভূঞা, জিন্তু বৰা, কুমুদ ৰাজবংশী আৰু অনন্ত ভূঞা। তদুপৰি সভাই উপদেষ্টা হিচাপে কমল ৰাজবংশী, জগত শইকীয়া, লীলা ভূঞা, মহেন্দ্ৰ ভূঞা, ৰমেশ বৈশ্য, ফটিক বৰুৱা, গোলাপ বৰুৱা আৰু মণ্টু ভূঞাক মনোনীত কৰে। বাৰেচহৰীয়া যুৱ সভাৰ সভাপতি সঞ্জীৱ ৰাজখোৱা আৰু সম্পাদক হিৰকজ্যোতি বৰাই জানিবলৈ দিয়া মতে জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি অহা ২ অক্টোবৰত ৰাইজ সভাৰ অন্তৰ্ভুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকন, কুইজ, বৰগীত, ঘোষাকে ধৰি এলানি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। অহা ৫ আৰু ৬ অক্টোবৰৰ জন্ম-জয়ন্তীৰ মূল কাৰ্যসূচী অনুসৰি ৫ তাৰিখে পুৱা ৫ বজাত প্ৰাতঃ প্ৰসংগ, ৯ বজাত ধৰ্মধ্বজা উত্তোলন, ৯.৩০ বজাত স্মৃতি তৰ্পণ, ১০ বজাত নাম-প্ৰসংগ আৰু ২ বজাত আৰম্ভ হ'ব কৃতী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন, গুৰুৰত্ন কমল ৰাজবংশীলৈ সম্বৰ্ধনা আৰু বঁটা বিতৰণী সভা। উল্লেখ্য যে বাৰেচহৰীয়া ৰাইজ সভাৰ উপদেষ্টা তথা ধলাইবিল নিৱাসী বিশিষ্ট শিক্ষাবিদ কমল ৰাজবংশীয়ে নাগশংকৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ৩৯ বছৰ আৰু কাষৰীয়া খনাগুৰিৰ বেচৰকাৰী খণ্ডৰ ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠত ২১ বছৰ, মুঠ চাৰিকুৰি বছৰ শিক্ষকতাৰে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক পোহৰৰ বাট দেখুওৱাৰ বাবে নাগশংকৰৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান আলোকৰ উদ্যোগত বৃহত্তৰ নাগশংকৰবাসী ৰাইজে 'গুৰুৰত্ন উপাধি প্ৰদান কৰাত ৰাইজ সভাই গৌৰৱবোধ কৰে আৰু তেওঁৰ এই বিৰল সন্মান প্ৰাপ্তিৰ বাবে অভিনন্দনসহ সম্বৰ্ধনা জনাব। নিশালৈ চামধৰা গাঁৱৰ যুৱকসকলৰ দ্বাৰা 'যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞ ভাওনাৰে প্ৰথম নিশাৰ কাৰ্যসূচীৰ সমাপ্তি ঘটিব। ঠিক সেইদৰে দ্বিতীয় দিনা পুৱা প্ৰাতঃপ্ৰসংগৰে আৰম্ভ হ'বলগীয়া অনুষ্ঠানত পুৱা ৮ বজাত নাম-প্ৰসংগ, ৯ বজাত মহিলাৰ দিহা নাম আৰু বিয়লি ২ বজাৰ পৰা অনুষ্ঠিত হ'ব ধৰ্মালোচনী সভা। বাৰেচহৰীয়া ৰাইজ সভাৰ সভাপতি অতুল চন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিতব্য উক্ত সভাখনত মুখ্য অতিথিৰ আসন অলংকৃত কৰিব চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক তথা গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ পদ্ম হাজৰিকাই। নিৰ্দিষ্ট বক্তা হিচাপে শ্ৰীশ্ৰীবটদ্ৰৱা সত্ৰৰ সত্ৰাধিকা দেৱানন্দ দেৱগোস্বামী আৰু সন্মানীয় অতিথি হিচাপে অসম বৈদিক বৈষ্ণৱ মহিলা মহাসভাৰ প্ৰধান সম্পাদিকা মনোমতী গগৈয়ে অংশ ল'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। নিশালৈ চামধৰা গাঁৱৰ যুৱকসকলৰ দ্বাৰা যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞ ভাওনাৰে মহাপুৰুষজনাৰ জন্ম-জয়ন্তীৰ কাৰ্যসূচীৰ অন্ত পৰিব। সমূহ কাৰ্যসূচীত জাতি, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো শ্ৰেণীৰ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগ কামনা কৰিছে উদ্যোক্তাসকলে।



# ঘোপেলীত সাংসদ পুঁজিৰ ধনেৰে নিৰ্মাণ কৰা সাংস্কৃতিক মঞ্চ ব্যৱহাৰ নোহোৱাকৈ আজিও আছে পৰি

## আঁচনি দেখিলে চকু উঠিব কপালত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৯ ছেপ্টেম্বৰ ঃ** মঙলদৈ লোকসভা সমষ্টিৰ তদানীন্তন সাংসদৰ উন্নয়ন পুঁজিৰ ১.৮০ টকাৰ অনুদানেৰে ২০১৭-১৮ বৰ্ষত দৰঙৰ ছিপাঝাৰৰ ঘোপেলীস্থিত চেঙেলীয়াঝাৰ উচ্চ মাধ্যমিক (আজিৰ উচ্চতৰ মাধ্যমিক) বিদ্যালয় প্ৰাংগণত নিৰ্মাণ কৰা হৈছিল এটি সাংস্কৃতিক মঞ্চ। ৰাইজে ভাবিছিল বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন অনুষ্ঠানৰ লগতে ৰাইজৰো কিবা অনুষ্ঠান হ'লে উল্লিখিত সাংস্কৃতিক মঞ্চতে অনুষ্ঠিত কৰিলে সুবিধা হ'ব। পিছে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে ভবা কথাত চেঁচা পানী পৰা যেন হৈ পৰিল। কিয়নো আঁচনিখন নিৰ্মাণত তথাকথিত ঠিকাদাৰে পেলাই পেলাই কাম কৰি আজিও আঁচনিখন সম্পূৰ্ণভাৱে কাৰ্যক্ষম নকৰাৰ বাবে স্তম্ভৰ ৰূপত থিয় হৈ আছে সাংস্কৃতিক মঞ্চটো। বিদ্যালয়খনৰ লগতে ৰাইজৰ বাবে অতি প্ৰয়োজনীয় এই মঞ্চটো নিৰ্মাণ হৈ উঠিছে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয় সপ্তাহতে ধৰি বিদ্যালয়ৰ অন্যান্য সভা-সমিতিসমূহো সুবিধাজনকভাৱে কৰিব পাৰিলেহেঁতেন। কিন্তু পৰিতাপৰ কথা যে ঠিকাদাৰৰ অংক মিলাই আঁচনি ৰূপায়ণ কৰোতে মঞ্চ গুচি স্তম্ভ হৈ পৰাৰ অভিযোগ উত্থাপন হৈছে। আশ্চৰ্যজনক কথা যে আঁচনিখন কোন ঠিকাদাৰে ৰূপায়ণ কৰিছে তাক ভগৱানৰ বাদে হয়তো দ্বিতীয়গৰাকীয়ে নাজানিব। মঞ্চটোত সাংস্কৃতিক অনুষ্ঠান দেখাৰ বিপৰীতে মুকলি পথাৰৰ ছাগলী-গৰুৰহে নিৰাপদস্থলী হৈ পৰাৰো অভিযোগ উত্থাপন হৈছে। আনহাতে, বিদ্যালয়খনৰ বহু লাখটকীয়া শ্ৰেণী কোঠা দেখিলে মেলা চকু মেলাই থাকিব। কোন মুহূৰ্তত চিলিং আহি ছাত্ৰ-ছাত্ৰী, শিক্ষকৰ মূৰত পৰে তাৰ নাই কোনো ঠিক। আনহাতে, বিদ্যালয়খনত পূৰ্বতে কৰা চৰকাৰী উন্নয়নী আঁচনিৰ ঠিকাদাৰী কামত বিদ্যালয়ৰ পৰিৱৰ্তে বিষয়া-কৰ্মচাৰী আৰু ঠিকাদাৰহে আঁচনিৰ আবণ্টিত ধনেৰে বেছি উন্নয়ন সাধন হোৱাৰ অভিযোগ উত্থাপন বহুদিনীয়া। এইক্ষেত্ৰত পূৰ্বৰ বিদ্যালয় পৰিচালনা সমিতিয়ে কিন্তু দায় সাৰিব নোৱাৰে। পৰৱৰ্তী প্ৰতিবেদনত বাকী সমস্যা-অনিয়মৰ বাতৰি তথ্যসমৃদ্ধভাৱে প্ৰকাশ কৰাৰ চেষ্টা কৰা হ'ব।

### তীব্ৰতৰ হ'ব আন্দোলন

# লখিমপুৰত গঠন হ'ল প্ৰাদেশিকৃত টিউটৰ শিক্ষক যৌথ মঞ্চ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** টিউটৰ শিক্ষকৰ নাৰ্যপ্ৰাপ্তিৰ দাবীৰে তীব্ৰতৰ হব আন্দোলন।বিগত ২৫যত০বছৰে বিনা বেতনে শিক্ষকতা কৰাৰ পাছত ২০২১ চনৰ ৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে আৰ্থিক দুৰৱস্থাৰ দোহাই দি ৰাজ্যৰ ২৭হাজাৰ শিক্ষকক টিউটৰ হিচাপে নিযুক্তি দিয়াত ক্ষোভিত হৈ পৰিছে ২৭হাজাৰ টিউটৰ শিক্ষক।চৰকাৰৰ এনে অন্যায়ৰ বিৰুদ্ধে ইতিমধ্যে কেন্দ্ৰীয় ভাৱে গঠন কৰা হল টিউটৰশিক্ষক-কৰ্মচাৰী যৌথ মঞ্চ।কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ ক্ৰমে শনিবাৰে লখিমপুৰত গঠিত হল লখিমপুৰ জিলা যৌথ মঞ্চ।এই উপলক্ষে উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অৱনৰি চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ অধ্যক্ষ ঠাকুৰ মেডকৰ সঞ্চালনাত অনুষ্ঠিত হয় ৰাজহুৱা সভা।হেমন্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাৰ আতধৰে তপন দত্তই। শতাধিক টিউটৰ শিক্ষকৰ উপস্থিতিত সৰ্ব সন্মতি অনুসৰি ৰঞ্জিত বৰুৱা আৰু ঠাকুৰ মেডকক উপদেষ্টা,হেমন্ত শইকীয়াক সভাপতি,প্ৰদীপ দত্তক কাৰ্যকৰী সভাপতি, দুলুমনি বৰা আৰু লাতুমনী গগৈক উপসভাপতি, ৰুহিতেশ্বৰ বৰাক সাধাৰন সম্পাদক, হেমধৰ বৰা আৰু অনুপম বৰমুদৈক যুটীয়া সম্পাদক,ধন্তি শইকীয়া,প্ৰনৱ শইকীয়া আৰু মনদীপ গগৈক প্ৰচাৰ সম্পাদক, মৃদুল শইকীয়া,জয়ন্ত শইকীয়া আৰু টফিকুল হুছেইনক সাংগাঠনিক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী সমিতি গঠন কৰা হয়।

# ৰাঙলীটিঙত চাহ জনগোষ্ঠী সাহিত্য সভাৰ শাখা গঠন



**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ১৯ ছেপ্টেম্বৰ ঃ** ৰঙামাটিৰ ৰাঙলীটিং বনুৱা প্ৰাথমিক বিদ্যালয়ত অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ গোলাঘাট জিলা সমিতিৰ উদ্যোগত দেৰগাঁও শাখা সমিতি গঠন কৰা হয়। সমীৰ ৰবিদাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত সমীৰ ৰবিদাসক সভাপতি, যাদৱ কৰ্মকাৰক সম্পাদক হিচাপে লৈ ৩১জনীয়া চাহ জনগোষ্ঠীৰ দেৰগাঁও শাখা সমিতিখন গঠন কৰি সাহিত্যৰ দিশত চাহ বাগিচাৰ লোকসকলক আগুৱাই নিয়াত বিভিন্ন পদক্ষেপৰ আঁচনি গ্ৰহণ কৰা হয়। সভাত বাগিচাৰ ভালেসংখ্যক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে।

# ৮০বছৰীয়া শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ বৰমজুমদাৰ, নৃত্য পটীয়সী খগেন্দ্ৰ নাথ লেখাৰু আজি সকলোৰে হৈ পৰিছে আদৰ্শ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ১৯ ছেপ্টেম্বৰ ঃ** এগৰাকী ৮০বছৰীয়া নৃত্য পটীয়সী। আজিও সুঠাম চেহেৰা যেন ৩৫-৪০ বছৰীয়া যুৱক। ইতিমধ্যে সত্ৰীয়া সংস্কৃতিৰ একান্ত সাধক এইগৰাকী পুৰুষে ভাৰতবৰ্ষৰ বিভিন্ন স্থান নিজৰ নৃত্যৰ নিখুঁত ভংগিমাৰে উজলাই তুলিছে অসমীয়া সংস্কৃতিক। ঐতিহাসিক শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ পশ্চিমহাটীত জীৱনৰ প্ৰায় অধিকাংশ সময় অতিবাহিত কৰি সত্ৰীয়া সংস্কৃতি চৰ্চাৰ সমান্তৰালকৈ সত্ৰৰ বৰ মজুমদাৰৰ গুৰুদায়িত্ব পালন কৰা এইগৰাকী আদৰ্শৱান পুৰুষ হৈছে খগেন্দ্ৰ চন্দ্ৰ লেখাৰু। সৰুতেই পৰিয়ালে সত্ৰলৈ উৎসৰ্গা কৰাৰ পিছত সত্ৰৰ পৰম্পৰাগত ৰীতি-নীতিৰ আউটিত থাকি সত্ৰীয়া নৃত্য, গীত আদিকে জীৱনৰ মূল হিচাপে লৈ আগুৱাই আহি আজি এগৰাকী প্ৰতিষ্ঠিত নৃত্য পটীয়সী হিচাপে নিজৰ পৰিচয় দাঙি ধৰিছে। আতাৰ বয়স বৰ্তমান ৭৯ বছৰ যদিও আজিৰ তাৰিখতো তেওঁ নিত্য-নৈমিত্তিক সকলো কাম-কাজ কৰি সংস্কৃতিৰ চৰ্চা কৰি আছে, প্ৰশিক্ষণ প্ৰদান কৰিছে সহস্ৰজনক। অসমৰ লগতে ভাৰতৰ বিভিন্ন স্থান সংস্কৃত দশৰতাৰ নৃত্য প্ৰদৰ্শন কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰি আহিছে, বিশেষকৈ সংস্কৃত দশৰতাৰ নৃত্যত আতা আজিও অদ্বিতীয় তথা অপ্ৰতিদ্বন্দ্বী। ইতিমধ্যে অসম চৰকাৰেও এইগৰাকী স্বনামধন্য শিল্পীক উচিত মৰ্যাদা প্ৰদান কৰি শিল্পীৰ এককালীন সাহায্য তথা অসম চৰকাৰৰ শিল্পী পেন্সন প্ৰদান কৰিছে। উল্লেখ্য যে এটা সময়ত তেওঁৰ এই নৃত্য শৈলীত আকৃষ্ট হৈ অসমৰ অন্যতম জনপ্ৰিয় নৃত্য পটীয়সী ইন্দিৰা পি পি বৰা আৰু গৰিমা হাজৰিকাই আতাক অসমীয়া সংস্কৃতি সুদূৰ আমেৰিকাত প্ৰদৰ্শনৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও উদাসীন ভকতৰ চৰিত্ৰ অক্ষুণ্ণ ৰাখি আতাই সেই প্ৰস্তাৱ নাকচ কৰিলে। এক কথাত ক'বলৈ গ'লে আতা এগৰাকী একনিষ্ঠ সত্ৰীয়া সংস্কৃতিৰ সাধক। সত্ৰীয়া সংস্কৃতিৰ পৰিৱেশত জীৱনৰ কিশোৰ, যৌৱন, বৃদ্ধকাল অতিবাহিত কৰি জীৱনৰ অভিজ্ঞতাৰ পৰা আতাই নৱ-প্ৰজন্মক নিজৰ কলা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট হ'বলৈ আহ্বান জনাইছে, যি সকলোকে শাৰীৰিক, মানসিক তথা আধ্যাত্মিক শিক্ষা প্ৰদান কৰি সামান্য মানৱক অতিমানৱলৈ পৰিণত কৰিব, অসমীয়া জাতি সদায় জিলিকাই তুলিব বুলি গভীৰ বিশ্বাস ৰাখিছে। আমিও এই মুহূৰ্তত আতাৰ এই জীৱনজোৰা সাধনাক কৃতজ্ঞতা জনাইছো আৰু এইগৰাকী মহান শিল্পীৰ দীৰ্ঘায়ু কামনা কৰিছো।

### দৰিদ্ৰতা সফলতাৰ কেতিয়াও হেঙাৰ হ'ব নোৱাৰে প্ৰমাণ কৰি দেখুৱালে লাহৰীঘাটৰ খহনীয়া বিধ্বস্ত পৰিয়ালৰ এজন যুৱকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** দেওবাৰে ঘোষিত অসম আৰক্ষীৰ ৫,৫০০ পদৰ ফলাফল ঘোষণা কৰাৰ পিছতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত হাঁহি বিৰিঙিছে বহু দুখীয়া-দৰিদ্ৰ পৰিয়ালৰ মাজত। তাৰ মাজতে লাহৰীঘাটৰ কাঠনিৰ বীজ ফাৰ্মৰ আব্দুল মজিদৰ পুত্ৰ নবাব শ্বৰিফে। চাৰিবাৰকৈ ব্ৰহ্মপুত্ৰৰ খহনীয়াত নিজৰ ভেটি-মাটি হেৰুৱাই বহু কষ্টৰে লিখা-পঢ়া কৰোৱাইছিল নবাব শ্বৰিফৰ পিতৃয়ে। কনিষ্ঠবল পদত সফলতাৰে উত্তীৰ্ণ হোৱাত পৰিয়ালৰ মাজত হাঁহি বিৰিঙিছে। চৰকাৰী ভূমিত বাস কৰা দৰিদ্ৰ পৰিয়াললৈ এক আশাৰ ৰেঙনি কঢ়িয়াই আনিছে যুৱক নবাব শ্বৰিফে। আৰক্ষীৰ নিযুক্তি স্বচ্ছ আৰু নিকা হোৱাত পুত্ৰই চাকৰি পোৱা বুলি নবাব শ্বৰিফৰ পিতৃয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছে।

# সফলতাৰে ছটা বছৰ অতিক্ৰম ঃ দিনজোৰা কাৰ্যসূচীৰে ষষ্ঠ বাৰ্ষিক কাব্যানুষ্ঠান-২০২২ অনুষ্ঠিত 'কাব্য চৰ্চা অসম'ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নীলবাগান, ১৯ ছেপ্টেম্বৰ ঃ** দিনজোৰা কাৰ্যসূচীৰে 'কাব্য চৰ্চা অসম'ৰ বৰ্ষপূৰ্তি উপলক্ষে হোজাই জিলাৰ ডবকাৰ গণিপুৰত ষষ্ঠ বাৰ্ষিক কাব্যানুষ্ঠান-২০২২ দেওবাৰে অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি কবি আৰু কবিতাবিষয়ক এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা চক্ৰত উপস্থিত থাকে লখিমপুৰৰ এল টি কে মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ৰমেশ কুমাৰ কাকতি, বিশিষ্ট অনুবাদক, কবি, সমালোচক তথা ডবকাৰ হাজী আনফৰ আলী কলেজৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক ড° হাছিনুছ চুলতান, গোলাঘাটৰ ৰণাল্ডো টাইদ, ৰ'দালি আলোচনীৰ মুখ্য সম্পাদিকা স্পানানী গগৈ চেতিয়া, সম্পাদক মহেশ্বৰ বসুমতাৰী, দীপিকা ফুকন, শিৱসাগৰৰ চৈয়দা চায়ৰা বেগম, বিভা বিন্দু কোঁৱৰ, নলবাৰীৰ দেৱৰ্ষী গৌতম, তেজপুৰৰ ঝৰ্ণালী শৰ্মা বৰকটকী, নগাঁৱৰ ৰিজু মণি দেৱী, মামু বৰা, অশোক ৰাম ভট্টাচাৰ্য, হাইছ উদ্দিন আহমেদৰ লগতে পশ্চিম কাৰ্বি আংলঙৰ নিৰলা ইংহিপীয়ে। এই অনুষ্ঠানৰ আমন্ত্ৰিত অতিথি কবি আৰু হোজাইৰ প্ৰায় দুকুৰি কবিয়ে কবিতা পাঠ কৰে। কবিতা পাঠৰ অনুষ্ঠানটি সঞ্চালনা কৰে কবি তথা শিক্ষক আলহাজ মোস্তাফা আহমেদে, লগতে সহযোগ কৰে শ্বাহনেৱাজ লস্কৰে। ইপিনে দ্বিতীয় কাৰ্যসূচীত 'আজিৰ কবিতা' বিষয়টিৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা চক্ৰত সঞ্চালনা কৰে ড° হাছিনুছ চুলতানে, লগতে সহযোগ কৰে কাব্য চৰ্চা অসমৰ প্ৰতিষ্ঠাপক তথা



মুখ্য প্ৰশাসক ৰফিক উদ্দিনে। অনুষ্ঠানত ৰফিক উদ্দিন সম্পাদিত যৌথ কাব্য সংকলন আৱাজ, শ্বাহনেৱাজ লস্কৰৰ 'প্ৰেম আৰু জীৱনৰ স্বাৰ্থত' আৰু ৰাজুল আহমেদৰ 'আই-বোপাই' কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ উপৰি উক্ত অনুষ্ঠানত কেইবাগৰাকী ব্যক্তিক সন্মান বিভূষণ কৰা দেখিবলৈ পোৱা যায়। শিক্ষক জুবেৰ আহমেদ আৰু কামাল উদ্দিন চৌধুৰীক আব্দুল বাৰী খান সোঁৱৰণী বঁটা-২০২২ প্ৰদান কৰা হয়। 'আব্দুল বাৰী খান সোঁৱৰণী বঁটা' বিতৰণীৰ সভাত সভাপতিত্ব কৰে কবি মুজাম্মিল আলীয়ে। সভাখনৰ আঁত ধৰে ৰিজুমণি দেৱী, মইদুল আলম বৰভূঞা আৰু শ্বাহ আব্দুল আজিজ খানে। অসমৰ ভিন্ন প্ৰান্তৰ পৰা আহি অনুষ্ঠানত উপস্থিত হোৱা কবি আৰু কাব্যপ্ৰেমী সমাজলৈ 'কাব্য চৰ্চা অসম'ৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে 'কাব্য চৰ্চা অসম'ৰ প্ৰতিষ্ঠাপক তথা মুখ্য প্ৰশাসক ৰফিক উদ্দিনে।

# ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সভা সম্পন্ন

## ওদালগুৰি ৰত্ন বঁটা- ২০২২ ধৰণীধৰ মেধিলৈ আৰু গোপাল চন্দ্ৰ ৰাভাৰ কাব্য পুথি 'পুণ্য নদীৰ ঘাট' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলা সাহিত্য সভাৰ পঞ্চম কাৰ্যনিৰ্বাহক সভা আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান ১৯ ছেপ্টেম্বৰত গেৰুৱা নামঘৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয়। পুৰন্দিয়া সাহিত্য সভাৰ উদ্যোগত আৰু গেৰুৱা গাঁও উন্নয়ন সমিতিৰ সহযোগত দিনৰ ১১ বজাত অনুষ্ঠিত সভাত ওদালগুৰি জিলা সাহিত্য সভাই কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। ওদালগুৰি জিলা সাহিত্য সভাই প্ৰদান কৰি অহা ওদালগুৰি ৰত্ন বঁটা-২০২২ বৰ্ষৰ বাবে সাহিত্যিক পেন্সনাৰ, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধৰণীধৰ মেধিক প্ৰদান কৰা হ'ব ওদালগুৰি শাখা সাহিত্য সভাই আয়োজন কৰা বঁটা প্ৰদান অনুষ্ঠানত। আনহাতে, পৰৱৰ্তী জিলা সমিতিৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদক নিৰ্বাচনৰ বাবে নৃপেন্দ্ৰ কুমাৰ শৰ্মাক মুখ্য নিৰ্বাচনী বিষয়া, অধিবক্তাদ্বয় প্ৰাণেশ্বৰ লোমগা আৰু সমৰজিৎ শৰ্মাক লৈ নিৰ্বাচনী সমিতি এখন গঠন কৰে। আদিত চন্দ্ৰ কলিতাক আহ্বায়ক, প্ৰতাপ ভট্টাচাৰ্য, অজয় কলিতা, লোহিত ডেকাক সদস্য হিচাপে লৈ এখন শৈক্ষিক সোঁৱৰণী বঁটা প্ৰদান উপ-সমিতিও গঠন কৰে। ভ্ৰাম্যমাণ পুথিভঁৰালৰ অগ্ৰগতি, আকাশ উপ-সমিতি, পত্ৰিকা, ২০২৩ৰ জানুৱাৰীত গৰীয়াঝাৰ কালীখোলাত পৰৱৰ্তী জিলা অধিৱেশন, ষষ্ঠ কাৰ্যনিৰ্বাহক সভা ইকৰাবাৰী সাহিত্য সভাত, শৈক্ষিক বঁটা প্ৰদান, আজীৱন সন্মিলন, জীৱনী কোষ প্ৰকাশ জিলা, ইতিহাস সংকলন প্ৰকাশ আদি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰা হয়। জিলা সাহিত্য সভাৰ সভাপতি, বিশিষ্ট লেখক হৰেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ পূৰ্বে পুৰন্দিয়া সাহিত্য সভাৰ শিল্পীবৃন্দই সমৱেত সংগীতেৰে শুভাৰম্ভ কৰে। পুৰন্দিয়া সাহিত্য সভাৰ সভাপতি খগেন্দ্ৰ নাথ বৰাই আদৰণী ভাষণ আগবঢ়োৱা সভাত ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক ড° পৱিত্ৰ শৰ্মাই সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আঁত ধৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি হৰেশ্বৰ কলিতাই অক্লান্ত সাহিত্য কৰ্মী, বয়োজ্যেষ্ঠ ব্যক্তি গোপাল চন্দ্ৰ ৰাভাৰ নৱতম কাব্য পুথি 'পুণ্য নদীৰ ঘাট' উন্মোচন কৰি লেখকক উৎসাহ-উদ্দীপনা যোগায়। শাখাবিলাকক জিলা আৰু অসম সাহিত্য সভাৰ ৰচিদ বুক বিতৰণ, শতদল, স্বৰ্ণ শাখাৰ স্বীকৃতি-পত্ৰ প্ৰদান কৰা সভাত জিলা সাহিত্য সভাৰ অন্তৰ্গত বিভিন্ন শাখা তথা প্ৰতিনিধিবৰ্গ সভাত উপস্থিত থাকি আৰু আয়োজক পুৰন্দিয়া সাহিত্য সভাৰ লগতে গেৰুৱা গাঁও উন্নয়ন সমিতিক সভাখন সাফল্যমণ্ডিত কৰাৰ বাবে জিলা সাহিত্য সভাৰ সম্পাদক ড° পৱিত্ৰ শৰ্মাই শলাগৰ শৰাই আগবঢ়াই ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধৰণীধৰ মেধি, দেৱৰাজ সাপকোটা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ভদ্ৰকান্ত শৰ্মা, কমলেশ্বৰ শৰ্মা, অখিল কলিতা, উপ-সভাপতি আদিত চন্দ্ৰ কলিতা, সহকাৰী সম্পাদকদ্বয় দ্বিপেন বৰা, তপেশ্বৰ ৰাভা, সাংবাদিক পেন্সনাৰ ইমৰাণ হুছেইন, সুগন্ধি কবিতাৰ সম্পাদক গৌতম জ্যোতি তালুকদাৰ প্ৰমুখ্যে বিভিন্ন শাখাৰ বিষয়ববীয়া উপস্থিত থকা সভাত জাতীয় সংগীতেৰে সভাখন সামৰণি পৰে।



### লাহৰীঘাটৰ ধিঙৰআটীত ২ ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও ১৯ ছেপ্টেম্বৰ ঃ** দেওবাৰে মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীৰ যুটীয়া অভিযানত গোপন সূত্ৰৰ পম খেদি ধিঙৰআটীৰ পৰা ২জন ড্ৰাগ্‌ছ সৰবৰাহকাৰী আটক কৰে। আটক কৰা ড্ৰাগ্‌ছ সৰবৰাহকাৰী দুজন ক্ৰমে ধিঙৰআটীৰ ছাদ্দাম হুছেইন আৰু ইনামুল হক। ধৃত ড্ৰাগ্‌ছ সৰবৰাহকাৰী ২জনৰ পৰা সন্দেহযুক্ত ড্ৰাগ্‌ছ ভৰ্তি ২৯টা কণ্টেইনাৰ আৰু ২টা মোবাইল জব্দ কৰে আৰক্ষীয়ে। সম্প্ৰতি দুয়োকে আৰক্ষীয়ে সোধা-পোছা অব্যাহত ৰাখিছে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগ্‌ছখিনিৰ ওজন ৩৮.৬৭ গ্ৰাম।

# শিৱসাগৰ জিলাত 'অমৃত সৰোবৰ' আঁচনিৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১৯ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭২সংখ্যক জন্মদিন উপলক্ষে ১৭ ছেপ্টেম্বৰ তাৰিখে সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জিলাতো 'অমৃত সৰোবৰ' আঁচনিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এই উপলক্ষে থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে ১৭ ছেপ্টেম্বৰত ডিমৌ উন্নয়ন খণ্ডৰ অন্তৰ্গত শুকানপুখুৰী, ৰূপজ্যোতি আৰু নঙলামৰা গাঁও পঞ্চায়তৰ অধীনত 'অমৃত সৰোবৰ' আৰু 'প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ' কেইবাটাও গৃহ নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে, জিলাখনত মুঠ ৪২টা 'অমৃত সৰোবৰ' আঁচনিৰ নিৰ্মাণ কাৰ্য সম্পন্ন কৰিবলৈ লোৱা হৈছে। ইয়াৰে ডিমৌ উন্নয়ন খণ্ডৰ অধীনত ৩৬টা, গৌৰীসাগৰ উন্নয়ন খণ্ডৰ অধীনত ৪টা আৰু নাজিৰা উন্নয়ন খণ্ডৰ অধীনত ২টা কামৰ শুভাৰম্ভ কৰা হৈছে। এই শুভাৰম্ভণী অনুষ্ঠানত শিৱসাগৰ জিলাৰ উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ, শিৱসাগৰ জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউত, শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী কুমাৰ দলে, খণ্ড উন্নয়ন বিষয়া বিহংগিনী দাস ভাগৱতীৰ লগতে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তৰ সভাপতি-সভানেত্ৰী, সদস্যসকলৰ লগতে চৰকাৰী কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

**LOST**

I have lost my HSLC Original Admit Card Bearing Roll B 16-168 No. 0279 in the year of 2016.
**MAMUN HASAN**
SûO.- Abul Kalam Sk
Vill- Chengurchar
P.O.-Puran Diara
P.S.- Mankachar Dist.- South Salmara
Mankachar
Pin.-783135

# লাহৰীঘাটৰ অমৰাগুৰিৰ শুকমণি বড়োৱে অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, লাহৰীগাট, ১৯ ছেপ্টেম্বৰ ঃ** সদ্যঘোষিত অসম আৰক্ষীৰ নিযুক্তি পৰীক্ষাৰ ফলাফলত লাহৰীঘাটৰ অতি ভিতৰুৱা অমৰাগুৰি গাঁৱৰ এগৰাকী যুৱক উত্তীৰ্ণ হোৱাত গাঁওবাসী উৎফুল্ল হৈ পৰিছে। গাঁওখনৰ যতীন বড়ো আৰু জমিলা বড়োৰ কনিষ্ঠ পুত্ৰ শুকমণি বড়োয়ে অসম আৰক্ষীৰ



নিযুক্তি পৰীক্ষাৰ কমাণ্ড বাহিনীত উত্তীৰ্ণ হৈ গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যাৰ বাবে দেওবাৰে গাঁওবাসীয়ে এনেদৰে অমৰাগুৰি প্ৰাথমিক বিদ্যালয়ত সম্বৰ্ধনা সভা অনুষ্ঠিত কৰি যুৱকজনক ইখনৰ পিছত সিখনকৈ ফুলাম গামোচাৰে উষ্ম আদৰণি জনায়। অনুশীলনৰ বাবে গাঁওখনত কোনো ধৰণৰ সুবিধা নথকাত যুৱকজনে প্ৰতিদিনে চাৰি কিলোমিটাৰ বাট অতিক্ৰম কৰি বহু কষ্টৰে কৰি আহিছিল অনুশীলন। বহু চেষ্টা আৰু কষ্টৰ ফলত অৱশেষত যুৱকজনে সফলতা লাভ কৰিবলৈ সক্ষম হোৱাত নিজকে সুখী হোৱাৰ লগতে যুৱকজনক লৈ অমৰাগুৰি গাঁওবাসী আনন্দিত হৈ পৰিছে। ইফালে এই সন্দৰ্ভত গাঁওবাসীৰ লগতে উত্তীৰ্ণ যুৱক শুকমণিয়েও অসমৰ মুখ্যমন্ত্ৰীগৰাকীৰ লগতে অসম চৰকাৰলৈ কৃতজ্ঞতা জনায়।

### 'কথক'ৰ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ১৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ অন্যতম আগশাৰীৰ ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু নৃত্যৰ শিক্ষানুষ্ঠান সুৰ সংগমে আয়োজন কৰা 'সুৰ সংগম- সংগীত আৰু নৃত্য মহোৎসৱ'ৰ দ্বিতীয় দিনাৰ কাৰ্যসূচীত 'কথক' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। কথক গুৰু মৰমী মেধি আৰু তবলাবাদক দেৱাশিস তালুকদাৰ ৰচিত কথক নৃত্যশৈলীৰ তাত্ত্বিক আৰু ব্যৱহাৰিক শিক্ষাৰ এই গ্ৰন্থখন কথক শিক্ষাৰ্থীসকলৰ উপযোগীকৈ প্ৰস্তুত কৰি তোলা হৈছে। নৃত্যাচাৰ্য পদ্মশ্ৰী যতীন গোস্বামী, সংগীত নাটক একাডেমী বঁটাপ্ৰাপক ৰামকৃষ্ণ তালুকদাৰ, কথক গুৰু বিপুল দাস, ৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত অভিনেত্ৰী মলয়া গোস্বামী, মঞ্জুলা হাজৰিকা আৰু মনীষা হাজৰিকাৰ উপস্থিতিত গ্ৰন্থখন উন্মোচন কৰা হয়। 'কথক' শীৰ্ষক এই গ্ৰন্থখন এমাজন, ফ্লিপকাৰ্ট আৰু সুৰ সংগমত উপলব্ধ হ'ব বুলি জনায় মৰমী মেধিয়ে।

### ৰাশিফলত আজিৰ দিনটো

**৩ আহিন, মঙলবাৰ, ২০ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা দশমী, নক্ষত্ৰ ঃ পুনৰ্বসু, জন্ম ৰাশি ঃ মিথুন**
**সূৰ্যোদয়- ৫-১৪-১৭, সূৰ্যাস্ত- ৫-২০-২৩**



■ **মেষ** ঃ বুদ্ধিভ্ৰম ■ **বৃষ** ঃ অধ্যয়নত ব্যস্ত ■ **মিথুন** ঃ আনন্দ ■ **কৰ্কট** ঃ সাহিত্য সেৱা ■ **সিংহ** ঃ প্ৰিয়জনৰ আগমন ■ **কন্যা** ঃ ভাতৃৰ সহায় ■ **তুলা** ঃ মাতৃ মৰম ■ **বৃশ্চিক** ঃ প্ৰেমত সঁহাৰি ■ **ধনু** ঃ শুভ ■ **মকৰ** ঃ ৰাইজৰ লগত ■ **কুম্ভ** ঃ উত্তম ভোজন ■ **মীন** ঃ বস্ত্ৰ লাভ।

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২০ ছেপ্টেম্বৰ, ২০২২ ■ মঙলবাৰ ■ ৩ আহিন, ১৯৪৪ শক




*বিভিন্ন দাবীৰ সমৰ্থনত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাৰ প্ৰতিবাদী কাৰ্যসূচী, গুৱাহাটীত সোমবাৰে*

# ধেমাজিত একেদিনাই ৩৬টা অমৃত সৰোবৰ আৰু ১২৪ টা প্ৰধানমন্ত্ৰী আৱাস গৃহ যোজনা (গ্ৰাম্য)ৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ১৯ ছেপ্টেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জন্ম দিনৰ লগত সংগতি ৰাখি সমগ্ৰ ৰাজ্যৰ লগতে সমান্তৰালভাৱে ধেমাজি জিলাৰ বিভিন্ন অঞ্চলত অমৃত সৰোবৰ আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ ( গ্ৰাম্য)ৰ শুভাৰম্ভৰ কাযসূচীৰ শুভাৰম্ভ কৰা হয় । জিলাখনত মুঠ ৭৫টা অমৃত সৰোবৰ ভিতৰত বিশ্বকমা পূজাৰ দিনা ৯টাকৈ অমৃত সৰোবৰ শুভাৰম্ভ কৰে ডাক্তৰ ৰনোজ পেগুৱে ।ইয়াৰে প্ৰথমটো ঐতিহাসিক হাবুংৰ চৌহদত নিৰ্মাণ কৰিবলৈ লোৱা অমৃত সৰোবৰ আঁচনিৰ শুভাৰম্ভ কৰি মন্ত্ৰী পেগুৱে বাকী থকা আন সকলো অমৃত সৰোবৰ শুভাৰম্ভ অতি শীঘ্ৰে কৰা হ'ব বুলি মন্তব্য কৰে ।লগতে তেওঁ কয় যে - ভাৰতবৰ্ষৰ অতীতৰ ৰজা - মহাৰজা সকলে পুখুৰী খান্দিছিল । আমাৰ অসমতো স্বৰ্গদেউ সকলে যলৈকে গৈছিল , যতে বসতি স্হাপন কৰিছিল আৰু যতে কাম কৰিছিল তাতে পুখুৰী খান্দিছিল। এই ঐতিহ্য পৰম্পৰা অব্যাহত ৰাখি আজি ৰাজ্যখনত ২৬২৫টা পুখুৰী খননৰ আঁচনি গ্ৰহণ কৰা হৈছে ।বৰ্তমান সময়ত জলবায়ুৰ পৰিবৰ্তনৰ ফলত খৰাং অৱস্থাৰ সৃষ্টি হৈছে ।জলসংৰক্ষণৰ কথা আহিলে প্ৰথমে বৰষুণ পানী সংৰক্ষণ কৰা আৰু বৰষুণৰ পানী সংৰক্ষণ কৰিবলৈ আমাক লাগিব পুখুৰী বা জলাশয় ।জলাশয় সমূহ বাম বা শুকাই যোৱাৰ বাবে ভূ-পৃষ্ঠৰ জলশাৰী তললৈ নামি গৈছে আৰু এই পুখুৰী খননে জলসংৰক্ষণৰ ক্ষেত্ৰত বৃহৎ অৱদান আগবঢ়াব বুলি উল্লেখ কৰে । প্ৰধান - মন্ত্ৰীৰ জন্মদিনটোৰ লগত সংগতি ৰাখি ৰাজ্যখনত আজি শুভাৰম্ভ কৰা অমৃত সৰোবৰ আঁচনিখনে উল্লেখযোগ্য অৱদান আগবঢ়াব বুলি অৱগত কৰি প্ৰতিখন জিলাতে ৭৫ টাকৈ অমৃত সৰোবৰ নিৰ্মাণ আঁচনি হাতত লোৱা হৈছেবুলি উল্লেখ কৰে ।অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা ধেমাজি সমষ্টিৰ বিধায়ক ডাঃ ৰণোজ পেগুৱে ধেমাজি উন্নয়ন খণ্ডৰ অন্তৰ্গত ঐতিহাসিক হাবুংত এটা , বুঢ়াভকত দুলিমাৰী বিলত দুটা , মাছখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত দিঘলী বিলত দুটা , হিলৈমাৰীত এটা আৰু বেঙেনাগড়াত এটা অমৃত সৰোবৰ পুখুৰী নিৰ্মাণ আঁচনিৰ শুভাৰম্ভ কৰে । ইপিনে , ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া প্ৰফুল্ল দেউৰীয়ে প্ৰধানমন্ত্ৰীৰ জন্মদিনৰ লগত সংগতি ৰাখি কালি ধেমাজিত শিক্ষামন্ত্ৰী তথা ধেমাজিৰ বিধায়ক গৰাকীয়ে সাতটা অমৃত সৰোবৰ শুভাৰম্ভ কৰাৰ লগতে প্ৰতিটো পঞ্চায়তত জিলা পৰিষদৰ সদস্য , চৰকাৰী উচ্চপদস্থ বিষয়া আৰু বিশিষ্ট নাগৰিকৰ দ্বাৰা অমৃত সৰোবৰ শুভাৰম্ভ কৰা হয় বুলি উল্লেখ কৰি পৰৱৰ্তী সময়ত অমৃত সৰোবৰ পুখুৰী সমূহৰ সৌন্দৰ্যবৰ্ধনৰ বাবে আঁচনি গ্ৰহণ কৰা হ'ব বুলি অৱগত কৰে । ইয়াৰ সমান্তৰালভাৱে আজি জিলাখনত ১২৪ টা প্ৰধানমন্ত্ৰী আৱাস যোজনা ( গ্ৰাম্য ) শুভাৰম্ভ কৰে । মন্ত্ৰীজনৰ সৈতে ধেমাজি জিলা পৰিষদৰ সভাপতি মোহন গগৈ , ধেমাজি উন্নয়ন প্ৰাধিকৰণৰ সভাপতি তোলন কোঁৱৰ , মাছখোৱা জিলা পৰিষদৰ সদস্যা বৰ্ণালী বৰগোহাঁই , ধেমাজি উন্নয়ন খণ্ডৰ বিষয়া নবীন কামান , মাছখোৱা উন্নয়ন খণ্ডৰ বিষয়া মৃদুল শৰ্মা আদিৰ লগতে ভালেসংখ্যক বিষয়া - কৰ্মচাৰী সকল উপস্থিত থাকে ।ধেমাজি উন্নয়নৰ ক্ষেত্ৰত অসম চৰকাৰে লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিৰ বাবে জিলা পৰিষদৰ কাৰ্য্যবাহী বিষয়া প্ৰফুল্ল দেউৰীয়ে চৰকাৰক ধন্যবাদ জনাই ।

## শালনাত সংৰক্ষিত বনাঞ্চলৰ বিৰুদ্ধে কৃষক সভাৰ অভিৱৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চকুৰঙা, কঁঠালগুৰি, লালপাহাৰ, ধল পাহাৰ, বৰজুৰি, লেংটেং, শালবাৰী, হাতিমুড়া আৰু দেওচুৰ গাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ পৰা সংৰক্ষিত বনাঞ্চললৈ উন্নীত কৰি খিলঞ্জীয়াক উচ্ছেদৰ পৰিকল্পিত ষড়যন্ত্ৰৰ বিৰুদ্ধে আজি নিখিল ভাৰত কৃষক সভাৰ উদ্যোগত শালনা বজাৰত কৃষক সমাবেশ আৰু অভিৱৰ্তন অনুষ্ঠিত হয়। অভিৱৰ্তন পৰিচালনা কৰে কৃষক নেতা সলিল চক্ৰৱৰ্তী, সমাজকৰ্মী ৰাণা বৰকাকতী আৰু নিখিল ভাৰত কৃষক সভাৰ নগাঁও জিলা সম্পাদক মনোজ সিংহ ৰাজাৰ দ্বাৰা গঠিত সভাপতি মণ্ডলীয়ে। অভিৱৰ্তনৰ আদৰণি ভাষণ আগবঢ়াই কৃষক নেতা সলিল চক্ৰৱৰ্তীয়ে। আজিৰ কৃষক সমাবেশ আৰু অভিৱৰ্তন উদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী হলিৰাম তেৰাঙে। বক্তব্য প্ৰদান কৰি তেৰাঙে সকলো একত্ৰিত হৈ সংৰক্ষিত বনাঞ্চলৰ বিৰুদ্ধে আন্দোলন তীব্ৰতৰ কৰিবলৈ আহ্বান জনায়। ইয়াৰ পাছতে কৃষক সমাবেশ আৰু অভিৱৰ্তনৰ খচৰা প্ৰস্তাৱ পাঠ কৰে কৃষক নেতা ৰাতুল বৰাই আৰু তাৰ পাছতে খচৰা প্ৰস্তাৱৰ ওপৰত আলোচনা হয়। সকলোৰে মতামত গ্ৰহণ কৰি খচৰা প্ৰস্তাৱ সৰ্বসন্মতিমৰ্মে গৃহীত কৰা হয় আৰু ভূমি অধিকাৰ সংগ্ৰাম সমিতি গঠন কৰে। প্ৰায় চাৰি শতাধিক লোকে অংশগ্ৰহণ কৰা কৃষক সমাবেশ আৰু অভিৱৰ্তনত বিশিষ্ট প্ৰবন্ধকাৰ কিশোৰ কলিতা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা কৃষ্ণ গগৈ, কৃষক সভাৰ ৰাজ্যিক ভাৰপ্ৰাপ্ত সম্পাদক জয়ন্ত গগৈ, আটছা কলিয়াবৰ জিলাৰ সভাপতি মহেন্দ্ৰ নাহক, সমাজকৰ্মী অনুপ গগৈৰ উপৰিও শালনা অঞ্চলৰ কৃষক নেতা বজৰং প্ৰসাদ গুপ্তা, নবীন বাৰ্লা, বিমল মেচ আদিয়ে বক্তব্য প্ৰদান কৰে।

# গেলেকীত অবৈধ নিৰ্মাণস্থলীৰ প্ৰাথমিক উচ্ছেদৰ পাছত প্ৰশাসনৰে সহযোগ উচ্ছেদিতৰ

## অ' এন জি চিৰ ভূমি অবৈধভাৱে একাংশ ক্ষুদ্ৰ ব্যৱসায়ীক বিক্ৰী কৰি মুনাফা লুটিলে কোনে ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৯ ছেপ্টেম্বৰ ঃ** অতিশয় দুৰ্ঘটনাৰ আশংকা থকা আৰু অ'এন জি চিয়ে খননৰ জৰিয়তে এসময়ত তৈল কূপ সক্ৰিয় কৰি তোলা এক নিষিদ্ধ এলেকাত সাধাৰণ লোকে মুক্তভাৱে আৱাস নিৰ্মাণ কৰি বসতি কৰিবলৈ লোৱাৰ এক পৰিস্থিতিত ১৬ ছেপ্টেম্বৰত অ'এনজিচি কৰ্তৃপক্ষই এক উচ্ছেদ অভিযান চলায়। নাজিৰা মহকুমা প্ৰশাসন, শিৱসাগৰ জিলা প্ৰশাসন আৰু আৰক্ষী তথা অৰ্ধ সামৰিক বাহিনীৰ উপস্থিতিত চলোৱা এই অভিযানে মুঠ ১৫টা পৰিয়ালৰ বাসগৃহক সামৰি লয় । প্ৰাথমিকভাৱে বুলড'জাৰেৰে একাংশ প্ৰতিষ্ঠিত ব্যৱসায়ীৰ দুই মহলীয়া বাসগৃহ ভাঙি পেলোৱাৰ দৃশ্য নাজিৰা মহকুমাত প্ৰথমবাৰলৈ নাগৰিকে প্ৰত্যক্ষ কৰে। প্ৰথমাৱস্থাত এই ভাঙি পেলোৱাৰ দৃশ্যই প্ৰশাসনক অধিক কঠোৰ হোৱা বুলি একাংশ লোকে সমালোচনা কৰিলেও পৰৱৰ্তী সময়ত অ'এনজিচিৰ দ্বাৰা নিষিদ্ধ এলেকা হিচাপে চিহ্নিত স্থানত কেৱল আৱাসগৃহই নহয় ব্যৱসায়ীয়ে সামগ্ৰীৰ গুদাম ঘৰ, ইটাৰ সঞ্চয় ভাণ্ডাৰ আদি নিৰ্মাণ কৰি মূল পুৰণা ড্ৰিলিং পইণ্টৰ এলেকাক সংকুচিত কৰি পেলায়। সুযোগ সন্ধানী ব্যৱসায়ীৰ কেৱল তেনে কু-কাৰ্যই নহয় অ'এন জি চিৰ অধিগৃহীত তথা এসময়ত অ'এনজি চিয়ে নিজে ক্ৰয় কৰি লোৱা ভূমি সুযোগ বুজি এই সকল ব্যৱসায়ীয়ে পুনৰ এচাম ক্ষুদ্ৰ ব্যৱসায়ী আৰু নিৰক্ষৰ লোকক বিক্ৰী কৰি দিয়ে। যিসকল লোকে ড্ৰিলিং পইণ্ট ঘেৰি ৰখা স্থানৰ চৌপাশে নিজা বাসগৃহ নিৰ্মাণ কৰি এক নিষিদ্ধ এলেকাত বাসভূমি হিচাপে জনবসতি বঢ়াই তোলে। এই সকল লোকেই কয় যে তেওঁলোকে নিৰ্দিষ্ট কেইজনমান প্ৰতিষ্ঠিত ব্যৱসায়ীৰ পৰা সেই মাটি কিনি লোৱাৰ পাছত বিগত ২০ বছৰৰো অধিক কাল বসতি কৰি আহিছে। সাংবাদিকক জানিবলৈ দিয়া মতে এই সকল লোকে অবৈধ ভূমিৰ বিক্ৰেতা ব্যৱসায়ীৰ পৰা কঠাই পতি ৪০ হাজাৰৰ পৰা ৭০ হাজাৰকৈ টকাৰ বিনিময়ত সেই ভূমি সমূহ ক্ৰয় কৰিছিল। ইয়াৰ বাবে ব্যক্তিগতভাৱে কৰা বুজাবুজি তথা চুক্তি স্বাক্ষৰ সহঃ প্ৰতিলিপি তেওঁলোকে সংৰক্ষণ কৰি ৰাখিছে। এই ঘটনাই প্ৰমাণ কৰে যে অ'এনজিচিয়ে তেল খননৰ বাবে ক্ৰয় কৰা ভূমি এদিন অ'এনজিচিয়ে নিষিদ্ধ এলেকা হিচাপে ঘোষণা কৰি এৰি অহাৰ পাছত সেই ভূমিত এচাম দালালে পুনৰ আন এচাম লোকক বলিৰ পঠা সজাই অবৈধ টকা লৈ বিক্ৰী কৰি আহিছে। সম্প্ৰতি কেৱল গেলেকীৰ এঠাইতেই এনে হোৱা নাই শিৱসাগৰ আৰু নাজিৰা মহকুমাৰ জনবহুল স্থানতো অ'এনজিচিৰ ভূমি বেদখল আৰু অবৈধ বিক্ৰীৰ এক চক্ৰই দীৰ্ঘদিনৰ পৰা এনে কাণ্ড সংঘটিত কৰি আহিছে। বহু বছৰ ধৰি অ'এনজিচিয়ে গেলেকী চুতীয়া গাঁও এলেকাৰ এই সকল লোকলৈ জাননী প্ৰেৰণ কৰি আহিছিল যদিও বাৰে বাৰে তেওঁলোকে আওকাণ কৰি অহাৰ পৰিণতিতে অৱশেষত বুলড'জাৰেৰে অভিযান চলোৱাৰ পৰিস্থিতি হয়। আজি প্ৰত্যক্ষ কৰা মতে উচ্ছেদিত লোকসকলে সম্প্ৰতি তেওঁলোকৰ বাসগৃহসমূহ নিজে খালী কৰাৰ কাম চলাই আছে আৰু প্ৰশাসনৰ সৈতে সহযোগ ৰক্ষা কৰাৰ কথা সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। প্ৰয়োজন মানৱীয় সাহায্যৰঃ উচ্ছেদিত লোকসকলৰ ক্ষুদ্ৰ ব্যৱসায়েৰে গঢ়ি তোলা বাসগৃহ সমূহ ভগ্ন প্ৰায় হৈ পৰাৰ সময়ত তেওঁলোকক মানৱীয় সহায় আৰু আশ্বাসৰ প্ৰয়োজন বুলি সংবাদ মাধ্যমক অৱগত কৰিছে। পৰিয়ালসমূহৰ মাজত দুটিকৈ বিশেষভাৱে সক্ষম শিশুও থকাত তেওঁলোকৰ বাবেও প্ৰশাসনৰ দৃষ্টি দাবী কৰিছে। এগৰাকী বিধবা মহিলাৰ বাসগৃহ সম্পূৰ্ণ ধ্বংসস্তূপত পৰিণত হোৱাত ৪গৰাকী জীয়ৰী আৰু এজন কলেজীয়া ছাত্ৰ পুত্ৰৰ সৈতে আনৰ ঘৰত আশ্ৰয় বিচাৰি ফুৰাৰ পৰিস্থিতি সৃষ্টি হৈছে। আনহাতে, খোৱাপানীৰ তীব্ৰ নাটনিয়ে আন এক অনাহুত পৰিস্থিতিৰ সৃষ্টি কৰিছে উচ্ছেদিত লোকসকলৰ মাজত।

### ৰঙিয়াৰ ৰণ্দিয়া শতদল সাহিত্য সভাৰ মজিয়াত ড° অমৰজ্যোতি চৌধুৰী

# সকলো শ্ৰেণীৰ মানুহক ভাল পাব পাৰিলেহে উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিব পাৰে সাহিত্যিকে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১৯ ছেপ্টেম্বৰ ঃ** 'সমাজৰ সকলো শ্ৰেণীৰ লোকক অন্তৰেৰে ভাল পাব পৰা আৰু বুজিব পৰা সাহিত্যিকৰ কলমতহে সৃষ্টি হৈছে বা হ'ব পাৰে উৎকৃষ্ট সাহিত্য।'—এই মন্তব্য বিশিষ্ট সাহিত্যিক তথা প্ৰাক্তন উপাচাৰ্য ড° অমৰজ্যোতি চৌধুৰীৰ। দেওবাৰে ৰঙিয়াৰ ঐতিহাসিক কৃষক শ্বহীদ ভৱনত অনুষ্ঠিত হয় এই অনুষ্ঠান। প্ৰতিষ্ঠা বৰ্ষতে স্বীকৃতিৰ লগতে ক্ৰমে স্বৰ্ণ শাখা আৰু শতদল শাখাৰ মৰ্যাদাপ্ৰাপ্ত ৰঙিয়াৰ ৰণ্দিয়া সাহিত্য সভাৰ এই মাহৰ বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ ড° চৌধুৰীয়ে এইদৰে কয়। প্ৰতি মাহতে বিশিষ্ট অতিথিৰ লগত অন্তৰংগ অনুষ্ঠান আয়োজন কৰি নৱ প্ৰজন্মক উদ্বুদ্ধ কৰা তথা অসম সাহিত্য সভাক গণমুখীকৰণত প্ৰভূত বৰঙনি যোগাই অহা ৰণ্দিয়া সাহিত্য সভাৰ ব্যতিক্ৰমী কাৰ্যক্ৰমণিকাই তেখেতক আকৰ্ষিত কৰিছে বুলি উল্লেখ কৰি চৌধুৰীয়ে কয় যে ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত নৱপ্ৰজন্মই বহু কাম কৰি আছে। ইউক্লিপিডিয়াত অসমীয়া সাহিত্যৰ ৰথী-মহাৰথীসকলৰ বিষয়ে জানিবলৈ আগতে কোনো সুযোগ-সুবিধা নাছিল। কিন্তু আজি অসমীয়া ভাষা-সাহিত্যক অন্তৰেৰে ভাল পোৱা আৰু তাক কামে-কাজে লগোৱা এচাম নৱপ্ৰজন্মৰ গভীৰ অধ্যয়ন আৰু কৰ্মস্পৃহাৰ বাবেই আমি সকলো তথ্য ইণ্টাৰনেটত আঙুলিৰ মূৰতে পাবলৈ সক্ষম হৈছোঁহক বুলি মন্তব্য কৰে বিশিষ্ট সাহিত্যকগৰাকীয়ে। শৈশৱৰ পৰাই ভূপেন হাজৰিকাৰ সান্নিধ্য পোৱা তথা একোজন শিক্ষাগুৰুৰ প্ৰেৰণাই কিদৰে এজন শিশুৰ মনত প্ৰভাৱ পেলাই গোটেই জীৱনৰ মাৰ্গ দৰ্শন কৰাব পাৰে, তাক লৈ তেখেতে বিষদ আলোচনা কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰা আন এজন অতিথি প্ৰকাশক মৃণাল মিশ্ৰই ৰঙিয়া সুযোগ্য সন্তান মৃদুল শৰ্মাৰ উদ্ধৃতিসহ কয় যে ভাষা-সাহিত্যৰ সেৱা কৰা আৰু তাৰ বাবে কলা, বিজ্ঞান বা বাণিজ্য শাখাত পঢ়া-শুনাৰ কোন বিশেষ বাধা বা সুবিধাৰ কথা আহি নপৰে। মাথোঁ লাগে মাতৃভাষাটোৰ উত্তৰণৰ ক্ষেত্ৰত নিজক সমৰ্পণ কৰি হাতে-কামে লাগি যোৱাটোহে। এটি বাক্য লিখিও বহু কাম কৰিব পাৰি। সকলোৱে কিতাপ পঢ়া আৰু মাতৃভাষাত চৰ্চা অব্যাহত ৰাখিলেই হ'ল বুলিও তেখেতে মন্তব্য আগবঢ়ায়। সম্পাদক হেমন্ত কলিতাই আঁত ধৰা অন্তৰংগ অনুষ্ঠানটিৰ আৰম্ভণিতে ড° অমৰজ্যোতি চৌধুৰী আৰু মৃণাল মিশ্ৰক প্ৰতীক সম্বলিত গামোচা আৰু মানপত্ৰ আৰু মুখপত্ৰ 'ৰণ্দিয়া'ৰে সম্বৰ্ধনা জ্ঞাপন কৰে ৰণ্দিয়া সাহিত্য সভাৰ সভ্যসকলে। উল্লেখ্য যে একেটি অনুষ্ঠানতে আৰোহণ আৰ্টিষ্ট গীল্ডৰ তৰফৰ পৰা বছৰটোৰ শ্ৰেষ্ঠ নাট্যকাৰৰ বঁটা আৰু বঙাইগাঁও মহোৎসৱত কলাগুৰু বিভূতি বঁটাৰে সন্মানিত হোৱা ৰণ্দিয়া শতদল সাহিত্য সভাৰ সভাপতি প্ৰতুল ভূঞা আৰু উপ-সভাপতি জয়ন্তজিত কলিতাকো প্ৰতীক সম্বলিত গামোচাৰে অভিনন্দন জনাই শাখা সভাৰ সভ্যসকলে। ৰঙিয়া মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক দীনেশ লহকৰ, ধুহিবালা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জেচিমুদ্দিন আহমেদ, জ্যেষ্ঠ অধিবক্তা ভাস্কৰ বৰুৱা, শিক্ষক বশিষ্ঠ ৰাজবংশী, বিশিষ্ট সমাজকৰ্মী মহেশ কাকতি, সমাজ সৰবৰহী সাহিত্য কৰ্মী অঞ্জনজ্যোতি পাটোৱাৰী, আজীৱন সভ্যসকল ক্ৰমে— পংকজ পল্লৱ শৰ্মা, মুকুল ভূঞা, নবীন চন্দ্ৰ দাস, ভূপেন্দ্ৰ লহকৰ, ধ্ৰুৱজ্যোতি কলিতা, ভাস্কৰ কলিতা, পাৰ্থপ্ৰতিম শৰ্মা, জাকিৰ হুছেইন, পংকজ কুমাৰ শৰ্মা, মামণি লহকৰ, সবিতা বৰ্মন মজুমদাৰ, অঞ্জলি চৌধুৰী, ৰীতা পাচনি, কণমানি নিলাভ প্ৰতিম ডেকাসহ অৰ্ধশতাধিক সভ্যই অংশগ্ৰহণ কৰা অনুষ্ঠানটিৰ শেষত ড° অমৰজ্যোতি চৌধুৰীয়ে ভাৰতৰত্ন ভূপেন হাজৰিকাৰ মৃত্যুত লিখা 'এটি গান শেষ হ'ল...' কবিতাটি আবৃত্তি কৰি সকলোৰে মন জয় কৰে।

# শ্ৰীৰামপুৰত জব্দকৃত চুপাৰি দাহন কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰ আৰক্ষী চকীত বিগত সময়ত জব্দ কৰা ৩২ বস্তা বাৰ্মিজ চুপাৰি জ্বলাই দিয়ে। সোমবাৰে গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত শিমুলটাপু আৰক্ষী চকীত আৰক্ষীয়ে চুপাৰি দাহন কৰে। শিমুলটাপু আৰক্ষীয়ে জব্দ কৰা ৩২ বস্তাত ২,২৪০ কিলোগ্ৰাম চুপাৰি জ্বলাই দিয়ে। শিমুলটাপু আৰক্ষীয়ে জব্দ কৰিছিল চুপাৰিসমূহ। ৩২১-২২ নম্বৰ গোচৰ অনুসৰি চুপাৰিসমূহ জব্দ কৰে আৰু আজি গোসাঁইগাঁও আদালতৰ নিৰ্দেশমৰ্মে জ্বলাই দিয়া হয়। উক্ত দাহন কাৰ্যসূচীত গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া নৱনীতা শৰ্মা, মহকুমাৰ খাদ্য সুৰক্ষা বিষয়া চন্দ্ৰমিতা বসুমতাৰী, গোসাঁইগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অমৰজ্যোতি বাইলুংসহ কে'বাজনো ব্যক্তি উপস্থিত আছিল।


*ড° সুৰজিৎ গিৰিৰ 'সাপ আৰু আমি' শীৰ্ষক গ্ৰন্থ উন্মোচন কৰিছে লেখিকা অনুৰাধা শৰ্মা পূজাৰীৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তিসকলে, গুৱাহাটীৰ প্ৰেছ ক্লাবত, সোমবাৰে*

### ৰাজগড় ব্যৱসায়ী সন্থাৰ ক্ষোভ

# টিংখাঙৰ ৰাজগড়ত বন্ধ হৈ পৰিল দোকান-পোহাৰ ঃ দোকান পোহাৰ বন্ধ কৰি বহিল ধৰ্মঘটত

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিংখাং, ১৯ ছেপ্টেম্বৰ ঃ** অসমমালাৰ অধীনত নিৰ্মাণ কৰিবলৈ লোৱা এটা ৰাজ্যিক ঘাইপথক কেন্দ্ৰ কৰি এতিয়া টিংখাং -ৰাজগড়ৰ ব্যৱসায়ী সকলৰ বাবে আহি পৰিছে জীৱন জীৱিকাৰ প্ৰতি চৰম ভাবুকি। যাক লৈ এতিয়া জীৱন-জীৱিকাৰ নিৰাপত্তা বিচাৰি প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হৈছে শতাধিক ব্যৱসায়ীয়ে। উল্লেখ্য যে মৰাণৰ পৰা ৰাজগড়-টিংখাঙৰ মাজেৰে নাহৰকটীয়া হৈ ডিগবৈলৈকে অসমমালাৰ অধীনত নিৰ্মাণ হ'ব লগা মৰাণ-নাহৰকটীয়া ৰাজ্যিক ঘাই পথটোৰ বাবে টিংখাঙৰ ব্যৱসায় বাণিজ্যৰ প্ৰাণ কেন্দ্ৰ ৰাজগড়ত শতাধিক ব্যৱসায়ী প্ৰতিষ্ঠান ক্ষতিগ্ৰস্ত হ'ব। যাৰ বাবে এতিয়া শংকিত ব্যৱসায়ীসকলে নিৰাপত্তা বিচাৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰি চক্ৰ বিষয়ালৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। আজি পুৱাৰে পৰা ৰাজগড় ব্যৱসায়ী সন্থাৰ উদ্যোগত শতাধিক ব্যৱসায়ীয়ে নিজৰ ব্যৱসায় প্ৰতিষ্ঠান বন্ধ কৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰে। তেওঁলোকৰ দাবী পথটো নিৰ্মাণৰ বাবে ক্ষতিগ্ৰস্ত হ'ব লগা ব্যৱসায়ীসকলৰ প্ৰতিষ্ঠান সমূহৰ ক্ষয় ক্ষতি কিমান পৰিমাণে আৰু কি ধৰণে হব তথা ক্ষতিপূৰণ কেনেকৈ লাভ কৰিব সেয়া পৰিষ্কাৰ কৰা, ব্যৱসায়ীসকলৰ কোনোধৰণৰ ক্ষতি নোহোৱা ব্যৱস্থা গ্ৰহণ কৰা , তদুপৰি ৰাজগড়ত নিৰ্মীয়মান চুপাৰ মাৰ্কেটৰ নিৰ্মাণকাৰ্যৰ গতি অতি লেহেমীয়া হোৱাৰ ফলত বহু ব্যৱসায়ী ভীষণ সমস্যাৰ সন্মুখীন হব লগা হৈছে। সেয়েহে চুপাৰ মাৰ্কেটৰ নিৰ্মাণ কাৰ্য খৰতকীয়া কৰিবলৈ দাবী উত্থাপন কৰি ৰাজগড় ব্যৱসায়ী সন্থাৰ সভাপতি বিপ্ৰ ধাদুমীয়া, যুটীয়া সম্পাদক দীপজ্যোতি ফুকন আৰু নীৰজ জয়ছোৱালৰ স্বাক্ষৰিত স্মাৰক পত্ৰ টিংখাং ৰাজহ চক্ৰ বিষয়ালৈ প্ৰেৰণ কৰে। ৰাজগড় ব্যৱসায়ী সন্থাই আজি পুৱা ৯ বজাৰপৰা ১১ বজালৈকে সকলো দোকান-পোহাৰ বন্ধ ৰাখি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে।

## নগাঁৱৰ ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰাপ্য মজুৰি বিচাৰি শ্ৰমিকৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ মাৰোৱাৰীপট্টিস্থিত এখন ব্যৱসায়িক প্ৰতিষ্ঠানত আজি পুৱা শ্ৰমিকৰ মজুৰি অনাদায়ক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, নগাঁও চহৰত থকা আদিত্য ছুইট্ছ নামৰ প্ৰতিষ্ঠিত ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰীয়ে প্ৰতিষ্ঠানখনত কাম কৰিবৰ বাবে গুৱাহাটীৰ পৰা ৫জন শ্ৰমিকক আনিছিল।দৈনিক হাজিৰা দিয়াৰ প্ৰতিশ্ৰুতিৰে শ্ৰমিককেইজনক অনা হৈছিল। কিন্তু ৯দিন উকলি যোৱাৰ পিছতো শ্ৰমিককেইজনক পাৰিশ্ৰমিক দিয়া নাছিল স্বত্বাধিকাৰীয়ে। ইয়াৰ বিপৰীতে আজি পুৱা প্ৰাপ্য ধন বিচাৰোঁতে শ্ৰমিককেইজনক ভাবুকিহে দিয়ে স্বত্বাধিকাৰীয়ে। ইয়াৰ পিছতে প্ৰতিষ্ঠানখনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ইপিনে, স্বত্বাধিকাৰীজনৰ বিৰুদ্ধে মজুৰি বঞ্চিত শ্ৰমিককেইজনে আৰক্ষীক অভিযোগ দিয়া বুলি জানিব পৰা গৈছে।

NEMCARE Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

# স্বাধীনতাৰ সাতটা দশকৰ পিছতো উন্নয়ন নহ'ল দলগাঁও সমষ্টিৰ এটা পথৰ

## মন্ত্ৰী-বিধায়কৰ চকুত নপৰা পথটোৰ বাবে যমৰ যাতনা ভুগিছে কে'বাখনো গাঁৱৰ ৰাইজে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ১৮ ছেপ্টেম্বৰ ঃ** স্বাধীনতাৰ সাতটা দশক পাৰ হোৱাৰ পিছতো উন্নয়ন নহ'ল দলগাঁও সমষ্টিৰ এটা পথৰ। দৰঙৰ দলগাঁও সমষ্টিৰ অন্তৰ্গত কুঁৱৰীপুখুৰী হাইস্কুলৰ পৰা ৩নং গলন্দি-শিমলুবাৰীলৈ যোৱা একমাত্ৰ পথৰ দুৰৱস্থাই জলাকলা খুৱাইছে কে'বাখনো গাঁৱৰ ৰাইজক। সামান্য বৰষুণতে পথটোত পানী জমা হৈ বোকাৰ সৃষ্টি হয়। যাৰ ফলত বন্ধ হৈ পৰে যাতায়ত ব্যৱস্থা। গাঁওসমূহত নাযায় এম্বুলেন্স সেৱা। কৃষকসকলে উৎপাদন কৰা পাচলিসমূহ বজাৰত নিবলৈ ঘূৰি যাবলগীয়া হয় বহু বাট। স্বাধীনতাৰ পূৰ্বৰ পৰাই কে'বাখনো গাঁৱৰ ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকলে যমৰ যাতনা ভুগি আহিছে। দলগাঁও সমষ্টিৰ প্ৰাক্তন বিধায়ক ইলিয়াছ আলীয়েও পথটো মেৰামতিত গুৰুত্ব প্ৰদান নকৰিলে। বৰ্তমানৰ বিধায়ক মজিবুৰ ৰহমানেও পথটো মেৰামতি কৰাৰ ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ। উল্লেখ্য, ৩ নং গলন্দি গাঁৱৰ পৰা পঞ্চায়ত সভাপতি তথা আঞ্চলিক পঞ্চায়তৰ সদস্যও নিৰ্বাচিত হৈছিল। কিন্তু কোনো উন্নয়ন নহ'ল অতি ব্যস্ত পথটোৰ। বাৰিষা সময়ত বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অহা-যোৱা কৰাত ভৰি পিছলি আঘাতপ্ৰাপ্ত হয়। দেওবাৰে মঙলদৈ কৰ্টৰ অধিবক্তা তথা স্থানীয় যুৱক মইনুল হক আৰু দৰং জিলা আমছুৰ নেতা হজৰ আলীৰ নেতৃত্বত স্থানীয় শিক্ষিত যুৱকসকলে হাতে হাতে কোৰ লৈ পথৰ মাজত সৃষ্টি হোৱা দ দ গাঁত পথৰ কাষৰ পৰা মাটি খান্দি পূৰণ কৰে। শীঘ্ৰে পথটো পকীকৰণ কৰিবলৈ মুখ্যমন্ত্ৰী আৰু দলগাঁও সমষ্টিৰ বিধায়ক মজিবুৰ ৰহমানৰ প্ৰতি আহ্বান জনায়।


*অসম বিধানসভা অধিৱেশনৰ সময়ত সংবাদ মাধ্যমক সম্বোধন বিৰোধী নেতা দেৱব্ৰত শইকীয়াৰ, সোমবাৰে*

বৈংক ऑफ़ बड़ौदा Bank of Baroda

**বৰঘাট শাখা, তেজপুৰ**
এম. ডি. ৰোড, ঈদগাহ ময়দানৰ ওচৰত, তেজপুৰ, জিলা ঃ শোণিতপুৰ, অসম-৭৮৪০০১
ই-মেইল ঃ borgha@bankofbaroda.co.in

**স্থাৱৰ সম্পত্তি বিক্ৰীৰ বাবে বিক্ৰী জাননী**
পৰিশিষ্ট-IV-A [ৰুল ৬ (২) আৰু ৮ (৬) ৰ অনুবিধি চাওঁক]

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলৱৎকৰণ আইন, ২০০২ ৰ সৈতে প্ৰতিভূতি স্বাৰ্থৰ (বলৱৎকৰণ) নিয়মাৱলী- ২০০২ ৰ নিয়ম ৬(২) আৰু ৮ (৬) ৰ অধীনত স্থাৱৰ সম্পদৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী।

ইয়াৰ দ্বাৰা সাধাৰণভাৱে জনসাধাৰণক আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ, **বেংক অফ বৰোদা, বৰঘাট শাখা, তেজপুৰ, অসমৰ** ওচৰত বন্ধকীকৃত/ নিৰিখত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহ **বেংক অফ বৰোদা, বৰঘাট শাখা, তেজপুৰ, অসম** চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা অধিগ্ৰহণ কৰা হৈছে আৰু নিম্ন উল্লেখিত এমাউণ্টসমূহৰ পুনৰ আদায়ৰ বাবে **"য'ত আছে", "যি আছে" আৰু "যেনে আছে"** তেনেই বিক্ৰী কৰা হ'ব। ঋণীসকল/ জামিনদাৰসকল/ সুৰক্ষিত সম্পদসমূহ/ দেয়/ সংৰক্ষিত মূল্য/ ই-নিলামৰ তাৰিখ আৰু সময়, ইএমডি আৰু ডাক বৃদ্ধি পৰিমাণৰ বিৱৰণ তলত উল্লেখ কৰা হৈছে—

**দখলৰ স্থিতি ঃ** কায়িক।

**সম্পদ পৰ্যবেক্ষণৰ তাৰিখ আৰু সময় ঃ** ২১.১০.২০২২, পুৱা ১০.৩০ বজাৰ পৰা বিয়লি ৪.০০বজালৈ।

**মুঠ আদায় দিব লগা পৰিমাণ ঃ** ৩,৮৪,৬৩,৫০৮.৫০ টকা (তিনি কোটি চৌৰাশি লাখ তেষষ্ঠি হাজাৰ পাঁচশ আঠ টকা পঞ্চাছ পইচা) তাৰিখ ২২.০৭.২০২২ৰ ভিত্তিত আৰু লগতে সুত আৰু তাৰ ওপৰত অন্যান্য মাচুলসমূহ।

| ক্ৰ/নং | ঋণ লওতা/গেৰাণ্টাৰৰ নাম আৰু ঠিকনা | জ্ঞাত দায়বদ্ধতাৰ সৈতে স্থাৱৰ সম্পত্তিৰ বিশদ বিৱৰণ | ই-নিলামৰ তাৰিখ আৰু সময় | সংৰক্ষিত মূল্য, ই এম ডি পৰিমাণ, বিড ইনক্ৰিমেণ্ট পৰিমাণ |
|---|---|---|---|---|
| ১ | ১. **মেচাৰ্ছ এছ. এম. এছচিয়েটচ** স্বত্তাধিকাৰী ঃ শ্ৰী সীমান্ত শইকীয়া আৰু শ্ৰীমতী মিনা শইকীয়া হলেশ্বৰ, এন এইচ ৫২, বৰঝাৰ গাঁও, ডাকঘৰ ঃ তেজপুৰ, জিলা ঃ শোণিতপুৰ,অসম-৭৮৪০০১<br>২. **মেচাৰ্ছ গাভৰু এণ্টাৰপ্ৰাইজ** স্বত্তাধিকাৰীঃ শ্ৰী সীমান্ত শইকীয়া হলেশ্বৰ, এন এইচ ৫২, বৰঝাৰ গাঁও, ডাকঘৰ ঃ তেজপুৰ, জিলাঃ শোণিতপুৰ,অসম-৭৮৪০০১<br>৩. **শ্ৰীমতী মিনা শইকীয়া** স্বামী ঃ শ্ৰী সীমান্ত শইকীয়া হলেশ্বৰ, এন এইচ ৫২, বৰঝাৰ গাঁও, ডাকঘৰ ঃ তেজপুৰ, জিলা ঃ শোণিতপুৰ, অসম-৭৮৪০০১ | ভূমিৰ সকলো অংশ আৰু বিল্ডিং, পৰিমাপ হ'ল ৪ কঠা, আৱৰি আছে পট্টা নংঃ ৬০, দাগ নংঃ ৭৬৯, অৱস্থিত আছে গাওঁ- বৰপুখুৰী, গুৰৈমাৰী, মৌজা-হলেশ্বৰ, ডাকঘৰ - হলেশ্বৰ, থানা- তেজপুৰ, জিলা- শোণিতপুৰ, অসম। চাৰিসীমা তলত দিয়া ধৰণে ঃ<br>পূবে ঃ শ্ৰীমতী বিন্দু।<br>পশ্চিমে ঃ শ্ৰী ৰতন দাস।<br>উত্তৰে ঃ ললিতা নাথ।<br>দক্ষিণে ঃ সৰু ছোৱালী। | ২৫.১০.২০২২, দিনৰ ১.০০ বজাৰ পৰা ৩.০০ বজালৈ | ৫,৪০,০০০.০০ টকা<br>৫৪,০০০.০০ টকা<br>১০,০০০.০০ টকা |

বিক্ৰীৰ বিশদ নিয়ম আৰু চৰ্তাৱলীৰ বাবে, অনুগ্ৰহ কৰি https://www.bankofbaroda.in/e-auction.htm আৰু https://ibapi.in ত দিয়া লিংক চাওঁক।
**তাৰিখ ঃ ২০.০৯.২০২২**
**স্থান ঃ তেজপুৰ**
অনুমোদিত বিষয়া
বেংক অফ বৰোদা, বৰঘাট শাখা, তেজপুৰ



## শিল্পী অৰুণ দাসক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ১৯ ছেপ্টেম্বৰ ঃ** কাকজান তিনিকুৰীয়াৰ ৪১৮ নং প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত এক অনুষ্ঠানত নাট্যকাৰ তথা শিল্পী অৰুণ দাসক ১৩ ছেপ্টেম্বৰত অনুষ্ঠিত এক অনুষ্ঠানত সম্বৰ্ধনা জনায়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন সময়ত গীত-মাত শিকোৱা শিল্পীজনক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত মধ্য যোৰহাট শিক্ষা খণ্ডৰ সমন্বয়ক নিৰঞ্জন ভূঞা, বীণা হাজৰিকা বৰকোচ, ৰঞ্জন ৰাজখোৱা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি পাৰ্থপ্ৰতিম হাজৰিকা, কপাহতলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মাণিক চন্দ্ৰ দাস প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। বিদ্যালয়ৰ প্ৰধান শিক্ষক যতীন চন্দ্ৰ বৰাই শিল্পী দাসক সম্বৰ্ধনা জনায়। উল্লেখ্য, দাসে সেৱা আগবঢ়োৱা মাছৰহাট নিম্ন বুনিয়াদী বিদ্যালয়ে দুবাৰ এ, এবাৰ এ প্লাছ গ্ৰেড, ৪১৮নং বিদ্যালয়ে একেৰাহে দুবছৰ এ প্লাছ গ্ৰেড লাভ কৰিছে।

■ আজি মুখ্যমন্ত্ৰী হিচাপে প্ৰথম গহপুৰৰ কেন্দ্ৰীয় শ্বহীদ দিৱসত অংশ ল'ব ড° হিমন্ত বিশ্ব শৰ্মাই ■

# উদ্বোধন কৰিব ঘাঁহিগাঁও মিনি ষ্টেডিয়াম গহপুৰত এশখন বিছনাযুক্ত অসামৰিক চিকিৎসালয়

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ১৯ ছেপ্টেম্বৰ ঃ** শ্বহীদ প্ৰণামো তোমাক। ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰ। সমগ্ৰ দেশৰ লগতে অসমতো ভাৰত ত্যাগ আন্দোলনৰ দামামা। এই আন্দোলনৰ অংশ হিচাপে গহপুৰ আৰক্ষী থানাত ব্ৰিটিছ জেক ওফৰাই ত্ৰিৰঙ্গ পতাকা উঠাবলৈ গৈ গহপুৰ থানাত ব্ৰিটিছৰ গুলীত আত্মবলিদান দিছিল বৰঙাবাৰীৰ বীৰাংগনা কনকলতা বৰুৱা আৰু বীৰ শ্বহীদ মুকুন্দ কাকতিয়ে। বীৰ শ্বহীদ দুগৰাকীক স্মৰণ আৰু উত্তৰ পুৰুষৰ মনত দেশপ্ৰেমৰ ভাব জগাই তোলাৰ মানসেৰে বিগত বৰ্ষবোৰৰ দৰে এই বেলিও গহপুৰ মহকুমাৰ ঘাঁহিগাঁওস্থিত মিনি ষ্টেডিয়ামত দিনজোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে শ্বহীদ দিৱসৰ। কাইলৈ আয়োজন কৰা এই কেন্দ্ৰীয় শ্বহীদ দিৱসত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰিব মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে স্থানীয় বিধায়ক উৎপল বৰা, গহপুৰ মহকুমা প্ৰশাসন, জিলা প্ৰশাসনে বিশেষ তৎপৰতা অৱলম্বন কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে মূল কাৰ্যসূচীৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে গহপুৰ নগৰৰ মাজমজিয়াত ঠিকাদাৰ ৰঞ্জন কলিতাৰ বিশেষ তৎপৰতাত ১৭.৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা এশখন বিছনাযুক্ত অত্যাধুনিক সা-সৰঞ্জামেৰে পূৰ্ণ অসামৰিক চিকিৎসালয়খনি উদ্বোধন কৰাৰ লগতে গহপুৰৰে যুৱক 'শৈলজা কনষ্ট্ৰাকচন'ৰ সঞ্চালক উদয়াদিত্য গোস্বামীৰ দ্বাৰা 'ছিগনেচাৰ' প্ৰজেক্টৰ ১০ কোটি টকা ব্যয়েৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা ঘাহিগাঁও ষ্টেডিয়ামখনিৰ শুভ উদ্বোধন কৰিব। ইয়াৰ উপৰিও ৰাইজৰ মাজত সঘনাই উচ্চাৰিত হোৱা ছয়দুৱাৰ মহাবিদ্যালয়ক State University'লৈ উন্নীতকৰণৰ ঘোষণা কৰিব বুলি ৰাইজে আশা প্ৰকাশ কৰিছে। এক কথাত মুখ্যমন্ত্ৰী ৰূপে প্ৰথমবাৰলৈ গহপুৰলৈ আহিব লগা মুখ্যমন্ত্ৰীগৰাকীক আদৰিবলৈ গহপুৰীয়া ৰাইজে আশাৰে বাট চাইছে।



## আধ্যাত্মিক গুৰু সতপালদেৱ মহাৰাজৰ ৭১সংখ্যক জন্মোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৯ ছেপ্টেম্বৰ ঃ** বিশ্ববিখ্যাত আধ্যাত্মিক আৰু সামাজিক সংস্থা 'মানৱ উত্থান সেৱা সমিতি'ৰ সৌজন্যত সমগ্ৰ বিশ্বৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতো মানৱ উত্থান সেৱা সমিতিৰ বিভিন্ন শাখা, উপ-শাখাৰ আশ্ৰমসমূহত অহা ২১ ছেপ্টেম্বৰত বিশ্ববিখ্যাত আধ্যাত্মিক গুৰু, মানৱ ধৰ্মৰ প্ৰণেতা তথা আধ্যাত্মিক আৰু সামাজিক সংস্থা মানৱ উত্থান সেৱা সমিতিৰ সংস্থাপক সতপালদেৱ মহাৰাজৰ ৭১সংখ্যক জন্মোৎসৱ উলহ-মালহেৰে উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। যোৰহাট নগৰৰ সমীপৰ চেঙেলী গাঁওস্থিত সমিতিৰ মানৱ ধৰ্ম আশ্ৰম, দেৰগাঁৱৰ শ্ৰীহংস মন্দিৰ, গোলাঘাট নগৰৰ মানৱ ধৰ্ম আশ্ৰম, ফৰকাটিং মানৱ ধৰ্ম আশ্ৰম, ডিব্ৰুগড় জিলাৰ বাণীপুৰ, কলিয়াবৰৰ চুলুং, মৰিয়নিৰ কাটনিবাৰী, গুৱাহাটীৰ ব্ৰহ্মবোধ আশ্ৰম, তিনিচুকীয়াৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন শাখা আশ্ৰমসমূহত পুৱা গুৰু বন্দনা, ভজন-কীৰ্তনেৰে শুভাৰম্ভ হ'বলগা এই অনুষ্ঠানত সকলো ৰাইজৰ উপস্থিতি আৰু সহযোগিতা মানৱ উত্থান সেৱা সমিতিৰ প্ৰেছ সচিব পংকজ কুমাৰ দাসে কামনা কৰিছে। উল্লেখ্য যে মানৱ উত্থান সেৱা সমিতিৰ তত্বাৱধানত মানৱৰ আত্মচেতনা জাগৃতি তথা আধ্যাত্মিক উত্থানৰ বাবে দেশ- বিদেশৰ বিভিন্ন ঠাইত বিশাল ৰূপে সদ্ভাৱনা সন্মিলন আয়োজনৰ যোগেদি সতপালদেৱ মহাৰাজে মানৱৰ মাজত সদ্ভাৱনা, মানৱীয় মূল্যবোধ, একাত্মবোধ জগাই তুলি সমাজত শান্তি, একতা, প্ৰেম, ভাতৃত্ববোধৰ ভাব স্থাপনৰ অৰ্থে নিজকে ব্ৰতী ৰাখিছে। ১৯৫১ চনৰ ২১ ছেপ্টেম্বৰত পৱিত্ৰ তীৰ্থভূমি হৰিদ্বাৰত জন্মগ্ৰহণ কৰা সতপালদেৱ মহাৰাজৰ পিতৃ যোগীৰাজ হংসদেৱ মহাৰাজ আৰু মাতৃ ৰাজেশ্বৰী দেৱী।



## ধুবুৰী ভোলানাথ মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া মহিলা অভিৱৰ্তনৰ স্মৃতিগ্ৰন্থৰ বাবে লেখনি আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৯ ছেপ্টেম্বৰ ঃ** অসম কলেজ শিক্ষক সংস্থাই এইবেলিৰ মহিলা অভিৱৰ্তনখন ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ সহযোগত অনুষ্ঠিত কৰিবলৈ আগবাঢ়ি আহিছে। তদুপলক্ষে আদৰণী সমিতিৰ তৰফৰ পৰা এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত স্মৃতিগ্ৰন্থখনত প্ৰকাশৰ বাবে বিভিন্ন শ্ৰেণীৰ প্ৰবন্ধ, নতুন শিক্ষা আঁচনি ২০২০ৰ ওপৰত যুগুতোৱা প্ৰবন্ধ, ভ্ৰমণ কাহিনী, ৰস ৰচনাৰ লগতে ধুবুৰী অঞ্চলৰ ঐতিহ্য, ইতিহাস, কৃষ্টি, সংস্কৃতি, শিক্ষাৰ ইতিহাস অঞ্চলটোৰ মহিয়সী নাৰীৰ জীৱন গাথা শীৰ্ষক লেখা নিম্নলিখিত ঠিকনাত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ। লেখাসমূহ অসমীয়া অথবা ইংৰাজী ভাষাত প্ৰেৰণ কৰিবলৈ আহ্বান জনালোঁ। অসমীয়াত লিখা লেখা স্পষ্ট আখৰেৰে লিখি অথবা ৰামধেনু ছফ্টৱেৰত গীতাঞ্জলি ফণ্টত টাইপ কৰি আৰু ইংৰাজীৰ প্ৰবন্ধ মাইক্ৰছফ্টত নিউ টাইমছ ফণ্টত টাইপ কৰি alakasarma665@gmail.com ইমেইলত অথবা ড° অলকা শৰ্মা, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, ভোলানাথ মহাবিদ্যালয় ধুবৰী, ডাক- বিদ্যাপাৰা, ডাকসূচাংক- ৭৮৩৩২৪ ঠিকনাত প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

# কোচ-ৰাজবংশী সাহিত্য পৰিষদ গঠন

### অমৃত ভূষণ ফৌজদাৰক সভাপতি আৰু উপেন বৰুৱাক প্ৰধান সম্পাদকৰ দায়িত্ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** কোচ-ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মনৰ সভাপতিত্বত দেওবাৰে বঙাইগাঁও জিলাৰ দোলাইগাঁওস্থিত জনতা ক্লাবৰ প্ৰেক্ষাগৃহত এখন কোচ-ৰাজবংশী জাতীয় অভিৱৰ্তন অনুষ্ঠিত হয়। বাসুগাওঁ, সৰভোগ, চিৰাং, বিজনী, মাণিকপুৰ, অভয়াপুৰী, গোৱালপাৰা, কৃষ্ণাই, বইটামাৰী, বঙাইগাঁৱৰ পৰা অহা দুই শতাধিক বিশিষ্ট সাহিত্যক, শিক্ষাবিদ, সমাজ কৰ্মীৰ উপস্থিতিত অনুষ্ঠিত জাতীয় অভিৱৰ্তনে কোচ-ৰাজবংশী ভাষা, সাহিত্যৰ বিকাশ, বিস্তাৰ, উন্নয়ন, অধ্যয়ন আৰু গৱেষণাৰ বাবে কোচ-ৰাজবংশী সাহিত্য পৰিষদ গঠনৰ বাবে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত কৰে। কোচ-ৰাজবংশী বিশিষ্ট সাহিত্যিক তথা কোচ-ৰাজবংশী অভিধান প্ৰণেতা শৈলেন্দ্ৰ নাৰায়ণ চৌধুৰী উপস্থিত থকা জাতীয় অভিৱৰ্তনে উত্তৰ শালমাৰা (কাকৈজানা)ৰ



বিশিষ্ট সাহিত্যিক শশীভূষণ ফৌজদাৰৰ নাতি তথা বিশিষ্ট ব্যক্তি অমৃতভূষণ ফৌজদাৰক সভাপতি, নৃপেন চন্দ্ৰ ৰায় (সৃজনগ্ৰাম) আৰু মাণিক দত্ত (বিজনী)ক কাৰ্যকৰী সভাপতি, যুধিষ্ঠিৰ পাঠক (সৃজনগ্ৰাম), ড° ৰাণু ৰায় (বৰপাৰা), হিতেশ বৰ্মন (সিদলসতী), অমৃত ৰায়ক উপ-সভাপতি, অভয়াপুৰীৰ উপেন বৰুৱাক প্ৰধান সম্পাদক, বিমলেন্দু বৰ্মন (বইটামাৰী), উমেশ সৰকাৰ (পঞ্চপুৰ), শকুন্তলা চৌধুৰী (বঙাইগাঁও) আৰু চৰিত চন্দ্ৰ পাঠক (অভয়াপুৰী)ক সম্পাদক আৰু মনুচাঁদ সিংহ (বৰ্ষণগাঁও) আৰু চিত্তৰঞ্জন ৰায় (সৃজনগ্ৰাম)ক সাহিত্য সম্পাদক হিচাপে লৈ ৩১জনীয়া কোচ-ৰাজবংশী সাহিত্য পৰিষদৰ কেন্দ্ৰীয় কমিটীখন গঠন কৰে।

# চপাই চাহ বাগিচাত পোষণ পঞ্চায়তৰ অনুষ্ঠান

### সজাগতা সভা-খাদ্যসম্ভাৰৰ প্ৰদৰ্শনী আৰু নৃত্য-গীতৰে উজ্জীৱিত চপাই চাহ বাগিচা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিঙৰী, ১৯ ছেপ্টেম্বৰ ঃ** তৃণমূল পৰ্যায়ত পৰিপুষ্টি আৰু খাদ্যাভ্যাস সম্পৰ্কে সজাগতা সৃষ্টি তথা পুষ্টিগত স্থিতি উন্নত কৰাৰ লক্ষ্যৰে দেশ আৰু ৰাজ্যৰ ভিন্নপ্ৰান্তৰ সমান্তৰালকৈ ঢেকীয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগতো পঞ্চম ৰাষ্ট্ৰীয় পোষণ মাহৰ বিবিধ কাৰ্যসূচী স্থানে স্থানে ৰূপায়িত হৈ আহিছে। ইয়াৰে অংশ হিচাপে ঢেকীয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত অমিয়পুৰ চক্ৰৰ অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকাসকলৰ সহযোগত আৰু মুখ্য সেৱিকা মিনাৱা বেগমৰ তত্বাৱধানত শনিবাৰে পঞ্চায়ত ভিত্তিত চপাই চাহ বাগিচাত 'পোষণ পঞ্চায়ত' শীৰ্ষক অনুষ্ঠানটি সফলতাৰে উল্লসিত পৰিৱেশৰ মাজত আয়োজিত হয়। সেই উপলক্ষে আদৰণীমূলক শোভাযাত্ৰাৰে পোষণ অনুষ্ঠানটি শুভাৰম্ভ কৰা হয়। ঢেকীয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ বিষয়া নিবেদিতা চৌধুৰীয়ে ফিটা কাটি কিশোৰী পঞ্চায়ত অনুষ্ঠানটি মুকলি কৰে। ইয়াৰ পাছতেই এখন সজাগতামূলক সভা অনুষ্ঠিত হোৱাৰ লগতে সাংস্কৃতিক অনুষ্ঠান সম্পন্ন হয়। ঢেকীয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া নিবেদিতা চৌধুৰীয়ে উদ্বোধনী বক্তব্যৰে উদ্দেশ্য ব্যাখ্যা কৰা আৰু পোষণ সমন্বয়ক বিশ্বজিৎ বৰাই আঁত ধৰা অনুষ্ঠানটিত কে'বাগৰাকীও আমন্ত্ৰিত অতিথি উপস্থিত থাকি প্ৰাসংগিক ভাষণ দাঙি ধৰে। প্ৰকল্প বিষয়া চৌধুৰীয়ে নিজৰ বক্তব্যত পোষণ মাহ আৰু অভিযানৰ লক্ষ্য-উদ্দেশ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰে আৰু গৰ্ভৱতী-প্ৰসূতি-শিশু-কিশোৰীৰ পুষ্টিহীনতা-খাদ্যাভ্যাস আৰু সৰলীকৰণ সন্দৰ্ভত উল্লেখ কৰি এইক্ষেত্ৰত পোষণ অভিযানক গতি প্ৰদান কৰিবলৈ সমন্বিত প্ৰচেষ্টাৰে আগবাঢ়িব লাগিব বুলি মত প্ৰকাশ কৰে। চপাই গাঁও পঞ্চায়তৰ সভাপতি গণক বড়োৱে সভাত ভাষণ প্ৰদান কৰি কয় যে পোষণ অভিযানক ভাৰত চৰকাৰৰ জনকল্যাণমূলক আঁচনি হিচাপে পালন কৰিছে আৰু তৃণমূল স্তৰত ইয়াক সফল কৰি তুলিবলৈ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ ভূমিকা অনস্বীকাৰ্য। অনুষ্ঠানত তেজপুৰ বিশ্ববিদ্যালয়ৰ এন কেয়াৰ চেণ্টাৰৰ নয়নমণি ৰাজবংশী সমল ব্যক্তি হিচাপে উপস্থিত থাকি কিশোৰীৰ স্বাস্থ্যৰ যতন,ঋতুকালীন সময়ত পৰিষ্কাৰ-পৰিচ্ছন্নতা, ৰক্তহীনতা আদি বিষয়ৰ ওপৰত বক্তব্য আগবঢ়ায়। পোষণ পঞ্চায়তৰ সৈতে সংগতি ৰাখি স্থানীয় মহিলা আৰু অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে সুষম খাদ্যৰ ওপৰত এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰে। ন-কইনাক আদৰণি, গৰ্ভৱতী মহিলাক পঞ্চামৃত খুওৱা, শিশুৰ অন্নপ্ৰাসন আৰু জন্মদিন পালন আদি কাৰ্যসূচী ৰূপায়ণৰ লগতে স্থানীয় কিশোৰী-চেমনীয়াৰ দ্বাৰা ঝুমুৰ নৃত্য, ৰাভা নৃত্য, বিহুনৃত্য প্ৰদৰ্শনৰ মাজেদি জীপাল হৈ উঠা এই পোষণ পঞ্চায়তৰ অনুষ্ঠানত ঢেকীয়াজুলি আঞ্চলিক এবছুৰ উপদেষ্টা তপন দৈমাৰী, ঢেকীয়াজুলি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ মুখ্য সেৱিকা মিনাৱাৰা বেগম, ৰেণুকা দাস, দীপাঞ্জলি বৰুৱা বৰা, সবিতা সৰকাৰ, মণিকা দেৱী আৰু পোষণ সমন্বয়ক ৰাচিম আলীকে ধৰি অমিয়পুৰ চক্ৰৰ অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰ উপৰি স্থানীয় মহিলা আৰু একাংশ সচেতন নাগৰিক উপস্থিত থাকে।

### পূব গুৱাহাটী লেখিকা সংস্থাৰ উদ্যোগত চুটি গল্প, অণুগল্পৰ কৰ্মশালা

## বিশিষ্ট সাহিত্যিকৰ সৈতে অন্তৰংগ আলাপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** দেওবাৰে পূব গুৱাহাটী লেখিকা সংস্থা, অসমৰ উদ্যোগত পুৱা দহ বজাত এখনি কৰ্মশালা উদ্বোধন কৰা হয়। উদ্বোধন কৰে সাহিত্যিক, গীতিকাৰ জীমণি চৌধুৰীয়ে। গুৱাহাটীস্থ লেখিকা সংস্থাৰ শাখাৰ সদস্যসকলক চুটিগল্প-অণুগল্পৰ চৰ্চাত বিষয়গত তাত্ত্বিক দিশসমূহ অসমীয়া, ভাৰতীয় আৰু বিশ্ব সাহিত্যৰ ভিন্ন পৰিচিতিৰে প্ৰাঞ্জল আৰু আকৰ্ষণীয়কৈ চুটিগল্প, অণুগল্প ৰচনাৰ কৌশল শীৰ্ষক কৰ্মশালাখনিত দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক তথা সমল ব্যক্তি ড° জাহ্নৱী দেৱীয়ে বক্তব্য প্ৰকাশ কৰে। বিনীতা ডেকাৰ গীতেৰে আৰম্ভণি হোৱা বিয়লি প্ৰসিদ্ধ গল্পকাৰৰ সৈতে অন্তৰংগ আলাপ অনুষ্ঠানত সাহিত্য অকাডেমীৰ লগতে ভিন্ন বঁটাৰে সন্মানিত প্ৰসিদ্ধ কথা সাহিত্যিক, নাৰীবাদী লেখক, টংলা মহাবিদ্যালয় ইংৰাজী বিভাগৰ অৱসৰী অধ্যাপক অৰূপা পটংগীয়া কলিতাই পুৰুষ এজনো নাৰী মুক্তিবাদী লেখক হ'ব পাৰে বুলি মন্তব্য কৰে।

## চিলাপথাৰ চিলি গোলাইত প্ৰথম বাৰ্ষিক তীজ মহোৎসৱ উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১৯ ছেপ্টেম্বৰ ঃ** চিলাপথাৰ গোলাইত আজি অসম গোৰ্খা সন্মিলনী, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা আৰু গোৰ্খা মহিলা সমিতিৰ চিলাসুঁতি আৰু চিলি গোলাই শাখা সমিতিৰ উদ্যোগত গোলাই গোৰ্খা ভৱন প্ৰাংগণত প্ৰথম বাৰ্ষিক তীজ উৎসৱ উলহ-মালহেৰে পালন কৰা হয়। পুৱা চাফাই অভিযানেৰে আৰম্ভ কৰা অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে অসম গোৰ্খা সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি খেমবাহাদুৰ চেত্ৰীয়ে। ইয়াৰ পাছতে মঞ্চ মুকলি কৰে নেপালী সাহিত্য সভাৰ চিলাসুঁতি আঞ্চলিক সমিতিৰ সভাপতি ৰাজেন উপাধ্যায়ে। তাৰ পাছত ৰাজেন উপাধ্যায়ৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটিত সংগিনী নৃত্য, তীজ নৃত্য, তীজৰ আধুনিক গীতৰ নৃত্য, দুনা-টপৰি গাছনে প্ৰতিযোগিতা অনুষ্ঠিত হয়। তীজ মহোৎসৱত ডিমৌ, চিলাসুঁতি, চিলি, গোলাই আদিৰ পৰা সহস্ৰাধিক গোৰ্খা মহিলাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে গোৰ্খা স্বায়ত্তশাসন দাবী সমিতিৰ সভাপতি হৰ্ক বাহাদুৰ চেত্ৰী উপস্থিত থাকি বহুমূলীয়া ভাষণ আগবঢ়ায়। সভাত গোৰ্খা স্বায়ত্তশাসন দাবী সমিতিৰ সম্পাদক গণেশ বিশ্বকৰ্মা, সদৌ অসম গোৰ্খা ছাত্ৰ সংস্থাৰ ধেমাজি জিলা সমিতিৰ সভাপতি চমৰাজ পুৰী, অসম গোৰ্খা সন্মিলনৰ প্ৰাক্তন সদস্য খেমবাহাদুৰ চেত্ৰীকে ধৰি বহু নেতা-কৰ্মী উপস্থিত থাকে।

## ব্ৰিটেইনৰ অ'ফৰ্ড বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া সন্মিলনত অংশগ্ৰহণ কৰিব মাইলছ ব্ৰনছন আৱাসিক বিদ্যালয় দলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** মাইলছ ব্ৰনছন আৱাসিক বিদ্যালয়, গুৱাহাটীৰ পৰা ছজন ছাত্ৰ, এমবিআৰ এছৰ ৰাজ্যপাল, প্ৰতিষ্ঠাপক অধ্যক্ষ, এমবিআৰএছ আৰু মুখ্য শৈক্ষিক সমন্বয়কৰে গঠিত এটা প্ৰতিনিধি দলে কালি ৰাউণ্ড স্কোৱাৰ আন্তঃৰাষ্ট্ৰীয় সন্মিলন-২০২২ত অংশগ্ৰহণ কৰিবলৈ ওলাইছে। ২০২২ চনৰ ১৯ৰ পৰা ২৫ ছেপ্টেম্বৰলৈ যুক্তৰাজ্যৰ অক্সফৰ্ড বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনখনে গ্ল'বেল প্লেটফৰ্মত এমবিআৰএছ, উত্তৰ-পূব ভাৰতৰ লগতে সমগ্ৰ দেশক প্ৰতিনিধিত্ব কৰিবলৈ যোৱা প্ৰতিনিধিসকল দ্বাদশ শ্ৰেণীৰ বুলি জানিব পৰা গৈছে। দৰিমিকা এল ৰাইম্বাই, দেহুন টাৰিয়াং, ৰাজৰোষ্মী খোৱাইৰকপাম, চেটাৰ্জী শ্বেলেইমা নামেইৰাকপাম, পৰোমজিৎ গোৱালা, ৰালফ বাইকাম চ চাংমা, এম বি আৰ এছৰ ৰাজ্যপাল হেনা দত্ত, এমবিআৰ এছৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° এন কে দত্ত আৰু এম বি আৰ এছৰ ৰাউণ্ড স্কোৱাৰ প্ৰতিনিধি আৰিফ আহমেদ। সন্মিলনৰ বিষয়বস্তু হৈছে 'Take Less Be More'। সন্মিলনত প্ৰতিনিধিসকলক লণ্ডনৰ অক্সফৰ্ড বিশ্ববিদ্যালয়ত ভাষণ প্ৰদান কৰিব অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ অৰ্থনৈতিক নীতিৰ অধ্যাপক ছাৰ ডাইটাৰ হেলম; এমিলি পেন, অ'চেন এডভোকেট এণ্ড স্কিপাৰ, অভিযানৰ প্ৰতিষ্ঠাপক আৰু মিষ্টাৰ বেন ফ'গলে, বঁটা বিজয়ী সম্প্ৰচাৰক আৰু দুঃসাহসিক। ৰাউণ্ড স্কোৱাৰ হৈছে সমগ্ৰ বিশ্বৰ ৬খন মহাদেশৰ ৫০খন দেশ সামৰি বৰ্তমান ১৮৬খন সদস্য বিদ্যালয়ৰ এটা সংস্থা, ইয়াক প্ৰতিষ্ঠা কৰিছিল প্ৰখ্যাত জাৰ্মান শিক্ষাবিদ আৰু অভিজ্ঞতাভিত্তিক শিক্ষণৰ বিকাশৰ এজন মূল ব্যক্তি মিষ্টাৰ কাৰ্ট হানে। তেওঁৰ মতে ছাত্ৰ-ছাত্ৰীসকলে কেৱল বিভিন্ন প্ৰত্যাহ্বানমূলক আৰু ৰোমাঞ্চকৰ উপায়েৰেহে নিজৰ শিক্ষণৰ কল্পনা আৰু স্থায়ী কৰি ৰাখিব পাৰিব, যিবোৰ শ্ৰেণীকোঠাৰ চাৰিটা দেৱালৰ সিপাৰে ৬টা স্তম্ভ আন্তৰ্জাতিকতাবাদ, গণতন্ত্ৰ, পৰিৱেশ, দুঃসাহসিকতা, নেতৃত্ব আৰু সেৱা (IDEALS)ৰ ৰূপত।



## বঙাইগাঁৱৰ সিদলসতী দুই নম্বৰ জাৰাগুৰিত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ সিদলসতীৰ নিকটৱৰ্তী দুই নম্বৰ জাৰাগুৰি সামূহিক কেন্দ্ৰ প্ৰাংগণত দেওবাৰে চলিত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা আৰু বিজ্ঞান শাখাৰ প্ৰথম বৰ্ষত অধ্যয়নৰত ১৪গৰাকী শিক্ষাৰ্থীক মানপত্ৰসহ নগদ ধন আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। দুই নম্বৰ জাৰাগুৰিৰ ইলিয়াছ হুছেইন নামৰ খুজুৰাপগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ বিজ্ঞান শিক্ষক এজনে বিগত ২০১৩ চনত চাকৰি নিয়মীয়া হোৱাৰ পাছত বিগত ২০১৪ চনৰ চনৰ ৩ জুলাইত এগৰাকী কৃতী মেধাৰী ছাত্ৰক নিজৰ দৰমহাৰ ১২ দিনৰ দৰমহাৰ টকাৰে সম্বৰ্ধনা জনোৱাৰ পৰ্ব আৰম্ভ কৰাত শিক্ষকজনৰ একক প্ৰচেষ্টাৰ শলাগ লৈ বিগত ২০২১ চনত কেইগৰাকী মান শুভাকাংক্ষী, শিক্ষাবিদ, চিকিৎসক, সমাজকৰ্মী, সংবাদ কৰ্মীৰ সহযোগত গঠন হয় হেল্পিং হেণ্ডছ ফ'ৰ ইনকুইজিটিভ ষ্টুডেন্টছ নামৰ সামাজিক সংস্থাৰ। দেওবাৰে সিদলসতীৰ নিকটৱৰ্তী দুই নম্বৰ জাৰাগুৰি সামূহিক কেন্দ্ৰ প্ৰাংগণত উক্ত সংস্থাটোৰ উদ্যোগত আয়োজিত বিশেষ সম্বৰ্ধনা অনুষ্ঠানটোত সভাপতিত্ব কৰে সংস্থাটোৰ সভাপতি তথা মাণিকপুৰ আঞ্চলিক কলেজৰ সহযোগী অধ্যাপক হাজিৰ ৰহমানে। অনুষ্ঠানটোত বিজনী ৰাজহ চক্ৰ বিষয়া মাৰিয়া টানিমে মুখ্য অতিথি ৰূপে উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলক অভিনন্দন জনাই শিক্ষাৰ্থীসকলক কঠোৰ পৰিশ্ৰম কৰি নিজৰ লক্ষ্য প্ৰাপ্তিৰ দিশে আগুৱাই যাবলৈ আহ্বান জনায়। অনুষ্ঠানত উত্তৰ শালমাৰা মহকুমা আৰক্ষী বিষয়া নিতুমণি দাসসহ লেংটিচিঙা ৰাজীৱ গান্ধী মহাবিদ্যালয়ৰ অধ্যাপক ড° আব্দুছ চুবুৰ শ্বেখ, কাজলগাঁও ইউএন ব্ৰহ্ম মহাবিদ্যালয়ৰ অধ্যাপক ড° ৰেজাউৰ ৰহমান, ড° আকবৰ আলী, আৰু ড° নাচিছিল হক, সিদলসতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হিতেশ ৰায়, বিজনী ছানৰাইজ একাডেমীৰ অধ্যক্ষ সুখৰঞ্জন বীৰ, চিকিৎসক ডাঃ ই আলী, ডাঃ সিজিলে শইকীয়া, সংস্থাটোৰ উপদেষ্টা ডাঃ ৰঞ্জিত বড়ো আদিয়ে ভাষণ প্ৰদান কৰি বস্তুনিষ্ঠ আলোচনা দাঙি ধৰে। অনুষ্ঠানত সংস্থাটোৰ সম্পাদক ইলিয়াছ হুছেইনে প্ৰতিবেদন পাঠ কৰে। সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে সংস্থাটোৰ সহকাৰী সম্পাদক মনোৱাৰ হুছেইনে। অনুষ্ঠানত চৈধ্যগৰাকী কৃতী মেধাৰী দুখীয়া ঘৰৰ ছাত্ৰ-ছাত্ৰীক নগদ ধন, প্ৰশংসা-পত্ৰ, গছপুলি, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়।

### 'পাটমাদৈ 'মঞ্চত নাৰীৰ আত্মপ্ৰকাশ

# ফেশ্বন শ্ব' গীত-নৃত্য-কবিতাৰ প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** অসমীয়া গহনাক বিশ্ব দৰবাৰলৈ নিয়াৰ প্ৰয়াসেৰে 'প্ৰজাপতি' নামৰ অসমীয়া গহনাৰ ব্যৱসায়িক প্ৰতিষ্ঠানটোৱে বিভিন্ন ব্যতিক্ৰমী প্ৰচেষ্টা গ্ৰহণ কৰি আহিছে। নাৰীসকলৰ সুপ্ত প্ৰতিভা আৰু সৌন্দৰ্য বিকাশৰ এক সুন্দৰ অনুষ্ঠান 'পাটমাদৈ'। প্ৰজাপতি অসমীয়া গহনাৰ উদ্যোগত গঠিত এই অনুষ্ঠানটোৱে প্ৰতি বছৰে অসমৰ বিভিন্ন প্ৰান্তৰ নাৰীসকলৰ সৌন্দৰ্য কলা বাহিৰলৈ উলিয়াই অনাৰ বাবে প্ৰচেষ্টা চলাই আহিছে। যিকোনো পৰিস্থিতিৰে এগৰাকী নাৰীয়ে কিদৰে কিদৰে সফলতা লাভ কৰিব পাৰে এই 'পাটমাদৈ ' অনুষ্ঠানটোৱে নাৰীক তাৰে শিক্ষা দিছে, লগতে ই নাৰীৰ প্ৰতিভা বিকাশৰ মঞ্চ, নাৰী সৱলীকৰণৰো মঞ্চ, য'ত নাৰীসকলে নিজ নিজ প্ৰতিভাৰে স্বাক্ষৰ তুলি ধৰিব নাচ-গান, আবৃত্তি, অভিনয়, ৰেম্প ৱাক আদিৰ মাধ্যমত। বিগত দুটা বছৰৰ দৰে এইবাৰো ১১ ছেপ্টেম্বৰত গুৱাহাটীৰ ৰুক্মিণীনগৰ ৰংগমঞ্চ ভৱনৰ প্ৰেক্ষাগৃহত বৰ্ণাঢ্য কাৰ্যসূচীৰে 'পাটমাদৈ' তৃতীয় অনুষ্ঠিত হৈ যায়। আৰ জে সুজিতা আৰু আৰ জে মঞ্জিস্থা কাৰ্বি চলিহাই আঁত ধৰা এই অনুষ্ঠানৰ সত্ৰীয়া নৃত্যৰে শুভাৰম্ভ কৰে অভিনেত্ৰী নন্দিনী কাশ্যপে। বন্তি প্ৰজ্বলন কৰে প্ৰজাপতি অসমীয়া গহনাৰ স্বত্বাধিকাৰী পল্লৱী হাজৰিকাৰ পিতৃ ডিম্বেশ্বৰ হাজৰিকা , মাতৃ শুভবালা হাজৰিকা , শহুৰ দীনেশ নাথ আৰু শাহু দীপালী নাথে। 'পাটমাদৈ ' অনুষ্ঠানৰ বিষয়ে প্ৰজাপতিৰ স্বত্বাধিকাৰী, ডিজাইনাৰ পল্লৱী হাজৰিকাই অনুষ্ঠানটোৰ বিষয়ে জানিব বিচৰাত কয় যে , ২০১৮ চনত তেওঁ অনুষ্ঠানটো আৰম্ভ কৰিছিল। 'পাটমাদৈ 'তৃতীয় অনুষ্ঠানত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ২৫ গৰাকী চূড়ান্ত জীয়ৰী আৰু বোৱাৰী প্ৰতিযোগীয়ে



অংশগ্ৰহণ কৰিছে। পাটমাদৈ অনুষ্ঠানৰ টেলেণ্ট হাণ্ট প্ৰতিযোগিতাখনৰ মূল বিভাগ আছিল গীত, নৃত্য, কবিতা আবৃত্তি আৰু একক অভিনয়। পাটমাদৈৰ তৃতীয় বৰ্ষ অনুষ্ঠানৰ বিচাৰক হিচাপে উপন্যাসিক, কবি মণিকুন্তলা ভট্টাচাৰ্য, বিশিষ্ট অনুবাদক কবিতা দত্ত গোস্বামী, সঙ্গীত নাটক বঁটা বিজয়ী অনিতা শৰ্মা, মোহময়ী অভিনেত্ৰী গীতাৰলী ৰাজকুমাৰী, বিশিষ্ট কণ্ঠশিল্পী মালৱিকা বৰা আৰু বৰঠাকুৰ আইএএছ একাডেমীৰ স্বত্বাধিকাৰী বন্দনা বৰঠাকুৰ। এইবাৰ বোৱাৰী আৰু জীয়ৰী দুটা বিভাগতে পাটমাদৈৰ শ্ৰেষ্ঠ প্ৰতিযোগী সন্মান প্ৰদান কৰা হয়। বোৱাৰী শাখাৰ প্ৰতিযোগিতাৰ বিজয়ী হয় গুৱাহাটীৰ হিমাদ্ৰী মেধি কলিতা। প্ৰথম ৰানাৰ্ছ আপ অৰ্জন কৰে কাৰ্বি আংলঙৰ সুলেখা বৰদলৈ হাজৰিকাই আৰু দ্বিতীয় ৰানাৰ্ছ আপ লাভ কৰে গুৱাহাটীৰ ইৰামণি বৈশ্য। আনহাতে, জীয়ৰী শাখাত বিজয়ী হয় হোজাইৰ সংঘমিত্ৰা গোস্বামীয়ে। প্ৰথম ৰানাৰ্ছ আপ হয় গুৱাহাটীৰ অনন্যা মহন্ত আৰু দ্বিতীয় ৰানাৰ্ছ আপ হয় গুৱাহাটীৰ ৰঞ্জিতা ভৰদ্বাজ। শ্ৰেষ্ঠ বিহুনাচ শিল্পী বঁটা লাভ কৰে লখিমপুৰৰ বিতপী গগৈয়ে , শ্ৰেষ্ঠ কবিতা আবৃত্তি বঁটা লাভ কৰে গুৱাহাটীৰ কাকলি বৰাই। শ্ৰেষ্ঠ একক অভিনয় বঁটা লাভ কৰে দেৰগাঁওৰ জুতিকা ৰাজখোৱা বৰাই। পাটমাদৈ তৃতীয় অনুষ্ঠানৰ অন্যতম আকৰ্ষণ আছিল তিনিটা চিকুৱেন্সত অনুষ্ঠিত হোৱা ফেশ্বন শ্ব'। প্ৰথম চিকুৱেন্সত প্ৰদৰ্শন হোৱা ফেশ্বন ডিজাইনাৰ কৰবী বৰুৱা দত্তৰ শ্ব'টোৰ ৰেম্প ৱাকত শ্ব' ষ্টপাৰ হিচাপে অংশ লয় অভিনেত্ৰী প্ৰীতিকংগনাই।দ্বিতীয় চিকুৱেন্সত অনুষ্ঠিত ফেশ্বন ডিজাইনাৰ ৰিমু ভট্টাচাৰ্যৰ শ্ব'টোৰ ৰেম্প ৱাকত শ্ব' ষ্টপাৰ হিচাপে অভিনত্ৰী গীতাৱলী ৰাজকুমাৰীয়ে অংশ লয়। তৃতীয় চিকুৱেন্সত অনুষ্ঠিত ডিজাইনাৰ কৰবী বৰুৱা দত্ত আৰু পল্লৱী হাজৰিকাৰ নিজা সৃষ্টিৰ ৰয়েল থ্ৰেডছৰ শ্ব'টোৰত শ্ব' ষ্টপাৰ হিচাপে অংশ লয় কাব্যনন্দিনী, নন্দিনী কাশ্যপ আৰু ৰেণু বৰুৱাই আৰু শ্ব' অপেনাৰ আছিল ৰেইকিৰ গুৰুমা ড° ৰূপাঞ্জলি আৰ চটনামি। ফেশ্বন শ্ব'কেইটাৰ প্ৰযোজক আছিল কিশোৰ কুমাৰ নাথ আৰু পৰিচালনা কৰিছিল বৈদ্যশ্ৰী গগৈ আৰু নৱজ্যোতিয়ে। এই অনুষ্ঠানতে সাংবাদিক, লেখিকা গীতালি শইকীয়া, অসমীয়া প্ৰতিদিন কাকতৰ উপ-সম্পাদক পদ্মিনী হাজৰিকা, নিউজ এংকৰ সংঘমিত্ৰা ফুকন, মছফিকা আহমেদ, কবি নীলিম কুমাৰ, অভিনেত্ৰী শ্যামন্তিকা শৰ্মা, প্ৰিয়বন্ধুৰ স্বত্বাধিকাৰী অৰ্চনা বৰঠাকুৰ, গীতি বৰুৱা, জয়া ভৰালী, ৰাজীৱ দত্ত, লুনা লাইলাকে ধৰি ভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত কে'বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায়। পাটমাদৈ মঞ্চত অংশগ্ৰহণ কৰিবলৈ অসমৰ বিভিন্ন ঠাইপৰা নাৰীসকল আহে। কোনোৱে বিবাহৰ পিছতে কোনোৱে বহু বছৰৰ পিছত ওলাই আহিছে মঞ্চত গীত নৃত্য, নাটক পৰিৱেশন কৰিবলৈ। চাকৰীয়া মহিলাকে আদি কৰি গৃহিণীসকলো ওলাই আহিছে এই অনুষ্ঠানত ভাগ লৈ আত্মপ্ৰকাশ কৰিবলৈ।

# কোৱাৰ্টাৰ ফাইনেলত অসমৰ ১১গৰাকী বক্সাৰ

## খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** চলিত খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলাৰ মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ত এতিয়ালৈকে অসমৰ ১১ গৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে বক্সিং ফেডাৰেচন অৱ ইণ্ডিয়া চমুকৈ বি এফ আয়ে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণ চমুকৈ ছাইৰ সহযোগত দেশত মহিলা বক্সিঙৰ নতুন প্ৰতিভা বিচাৰি উলিওৱাৰ বাবে যি অভিলাসী আঁচনি হাতত লৈ চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা আয়োজন কৰাৰ সিদ্ধান্ত লৈছে তাৰেই প্ৰথমখন প্ৰতিযোগিতা সম্প্ৰতি গুৱাহাটীৰ ছাই কেন্দ্ৰৰ ইনড'ৰ ষ্টেডিয়ামত পূৰ্ণগতিত চলি আছে। জুনিয়ৰ ছোৱালীৰ শাখাত অসমৰ ছগৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰাজ্যৰ পাঁচ গৰাকী বক্সাৰে যুৱ মহিলা শাখাৰ অন্তিম আঠত স্থান নিশ্চিত কৰিছে। আজি নিশা আৰু কাইলৈ জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা শাখাৰ কোৱাৰ্টাৰ ফাইনেল মেচ সমূহ অনুষ্ঠিত হ'ব। জুনিয়ৰ ছোৱালীৰ ৪৬ কিলোগ্ৰাম শাখাত অসমৰ ইলাজ্যোতি পেগু, বিজেতা ব্ৰহ্ম আৰু স্বাগতা লক্ষ্মী কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৪৮ কিলোগ্ৰাম শাখাত ভাগ্যশ্ৰী ৰাভা আৰু ৰিম্পী পেগু তথা ৫০ কিলোগ্ৰাম শাখাত ভাৰতী কুমাৰীয়ে কোৱাৰ্টাৰ ফাইনেল খেলিব। ইয়াৰে চাৰিগৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত মণিপুৰৰ বক্সাৰৰ মুখামুখি হ'ব। ইফালে, যুৱ মহিলাৰ ৫২ কিলোগ্ৰাম শাখাত অসমৰ পূণ্যৱতী কুলি আৰু ৰশ্মী বালা বসুমতাৰীয়ে পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেল খেলিব। আনহাতে, ৫৪ কিলোগ্ৰাম শাখাত অসমৰ সংগীতা দাস, মাইনাও বড়ো আৰু আইকন মিলিয়ে মণিপুৰৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেল খেলিব। উল্লেখ্য যে নখন ৰাজ্যৰ প্ৰায় দুশ প্ৰতিযোগীয়ে চলিত খেলো ইণ্ডিয়া পূব মণ্ডল জুনিয়ৰ ছোৱালী আৰু যুৱ মহিলা মুকলি বক্সিং চেম্পিয়নশ্বিপ-২০২২ত অংশ লৈছে। প্ৰতিযোগিতাখনত অসমসহ অংশগ্ৰহণ কৰা নখন ৰাজ্য হ'ল অৰুণাচল প্ৰদেশ, বংগ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰা। প্ৰতিযোগিতাৰ জুনিয়ৰ ছোৱালীৰ ওজন শাখা ১৩ টা। আনহাতে, যুৱ মহিলাৰ ওজন শাখা ১২ টা। জুনিয়ৰ আৰু যুৱৰ প্ৰতিটো ওজন শাখাৰে ছেমিফাইনেলিষ্ট চাৰিগৰাকীকৈ বক্সাৰে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। চাৰিখন মাণ্ডলিক প্ৰতিযোগিতা সমাপন হোৱাৰ পাছত অহা ডিচেম্বৰত গুৱাহাটীত হ'ব ফাইনেল ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপখন। অন্য তিনিটা মণ্ডলৰ পৰাও জুনিয়ৰ আৰু যুৱৰ প্ৰতিটো ওজন শাখাৰে ছেমিফাইনেলিষ্ট চাৰিগৰাকীকৈ বক্সাৰে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ফাইনেল প্ৰতিযোগিতাৰ প্ৰথমৰ পৰা শীৰ্ষ ১০ গৰাকীক প্ৰাইজমানি প্ৰদান কৰা হ'ব।

# বৰপথাৰত এম এ চি কাপ ফুটবল প্ৰতিযোগিতাৰ সফল সামৰণি



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, দেওপানী, ১৯ ছেপ্টেম্বৰ ঃ** বৰপথাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু কাৰ্বিআংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য মুকুট মহন্তৰ সহযোগত আয়োজিত ফুটবল টুৰ্নামেণ্টৰ সফল সামৰণি। কাৰ্বি আংলং বৰপথাৰ হাইস্কুলৰ খেলপথাৰত যোৱা ১৫ আগষ্টৰ পৰা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ফুটবল খেলখনৰ চূড়ান্ত খেলত হলৌখোৱা এফচি আৰু মধুৰাম এফচি অৱতীৰ্ণ হয়। মধুৰাম এফচিয়ে হলৌখোৱা এফচিক ২-১ গ'লত পৰাজিত কৰি চূড়ান্ত বিজয় সাব্যস্ত কৰে।

# আজি ভাৰত-অষ্ট্ৰেলিয়াৰ প্ৰথম টি-২০




**মোহালি, ১৯ ছেপ্টেম্বৰ ঃ** অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলাৰ যি পৰিকল্পনা লৈছিল তাৰেই প্ৰথমখন মেচ কাইলৈ ম'হালীত অনুষ্ঠিত হ'ব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতে প্ৰথমে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ ৰ এক শৃংখলাত অংশ ল'ব। স্বাভাৱিকতে এই ছখন মেচ টীম ইণ্ডিয়াৰ বাবে নিজৰ শক্তি আৰু ৰণনীতি বুজি পোৱাৰ এক সুযোগ। উল্লেখ্য যে অহা ১৬ অক্টোবৰৰ পৰা অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব ভাৰতে। বি চি চি আয়ে ইতিমধ্যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দল ঘোষণা কৰাৰ লগতে বিশ্বকাপৰ পূৰ্বে ঘৰত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা টি-২০ শৃংখলাৰ বাবেও ভাৰতীয় দল ঘোষণা কৰিছে। কাইলৈ পৰা হ'বলগা তিনিখনীয়া শৃংখলা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটো হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ঋষভ পন্ত , দীনেশ কাৰ্তিক , হাৰ্দিক পাণ্ডিয়া, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ভুৱনেশ্বৰ কুমাৰ, মহম্মদ ছামি, হৰ্যল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ।

# ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ সাজু শ্যুটাৰ শৌৰ্য

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** উত্তৰ পূব শ্যুটিঙং চেম্পিয়নশ্বিপৰ ২৫ মিটাৰ ষ্টেণ্ডাৰ্ড পিষ্টল, ২৫ মিটাৰ চেন্টাৰ ফায়াৰ পিষ্টল আৰু ৫০ মিটাৰ ফ্ৰি পিষ্টলত ক্ৰমে সোণ আৰু ব্ৰঞ্জৰ পদক জয়ী শ্যুটাৰ শৌৰ্য শৰ্মা সাজু হৈছে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ হৈ পদক জয় কৰিবলৈ। উল্লেখ্য যে উত্তৰ পূব মণ্ডল শ্যুটিঙত তিনিটা পদক জয় কৰা ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উপসচিব শৌৰ্য শৰ্মাই কৰ্মব্যস্ততাৰ মাজতো অব্যাহত ৰাখিছে অনুশীলন। ৰাজস্থানৰ মহীপাল সিং ৰাথোৰৰ অধীনত প্ৰশিক্ষণ লাভ কৰা বিষয়াগৰাকীয়ে অলপতে অৰ্জুন বঁটা বিজয়ী শ্যুটাৰ সত্যেন্দ্ৰ কুমাৰৰ তত্বাৱধানত উত্তৰ প্ৰদেশৰ দাদৰিত এটা চৈধ্য দিনীয়া শিবিৰত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। ২০০৭ ত আগ্ৰাত অনুষ্ঠিত সপ্তদশ সৰ্দৌ ভাৰত জি ভি মাভালাংকাৰ শ্যুটিং চেম্পিয়নশ্বিপত সোণৰ পদক জয়ী কৰি প্ৰথম অসমীয়া সোণ জয়ী হিচাপে পৰিগণিত হৈছিল শৰ্মা। ২০০৭ ত গুৱাহাটী ৰাষ্ট্ৰীয় ক্ৰীড়াটো দহ মিটাৰ এয়াৰ পিষ্টল ইভেন্টত ৱাইল্ড কাৰ্ড এন্টিৰে অসমক প্ৰতিনিধিত্ব কৰা শ্যুটাৰ গৰাকীয়ে মাজতে শ্যুটিঙ ৰেঞ্জ এৰি দিল্লীলৈ ইউ পি এচ চিৰ প্ৰস্তুতিৰ বাবে গুচি গৈছিল যদিও ২০১৫ চনত অসম অসামৰিক সেৱাৰ বিষয়া হিচাপে নিযুক্তি লাভ কৰাৰ পাছত ৰেঞ্জলৈ প্ৰত্যাবৰ্তন ঘটাইছিল । চলিত বৰ্ষত সপ্তদশ সৰ্দৌ অসম শ্যুটিঙত দহ মিটাৰ এয়াৰ পিষ্টলকে ধৰি মুঠ চাৰিটা শাখাত চাৰিটাকৈ সোণৰ পদক লাভ কৰিছিল।

# অইল ইণ্ডিয়া ফুটবল ক্লাব, অসম ৰাইফলছ ছেমিফাইনেলত

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৪সংখ্যক স্বাধীনতা দিৱস কাপ প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত অন্তিমখন কোৱাৰ্টাৰ ফাইনেল লীগৰ খেলত অইল ইণ্ডিয়া ফুটবল ক্লাব, দুলীয়াজান দলে কেৰালা ইউনাইটেড ফুটবল ক্লাবক ৩-০ গ'লত পৰাস্ত কৰি লীগৰ সম্পূৰ্ণ পইন্ট অৰ্জনেৰে গ্ৰুপত শীৰ্ষ স্থান অধিকাৰ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। আনহাতে, গ্ৰুপত দ্বিতীয় স্থান লাভ কৰা অসম ৰাইফলছ দলৰো ছেমিফাইনেলত স্থান নিশ্চিত হয়। আজি অইল দলে উৎসাহজনক খেল প্ৰদৰ্শন কৰি দলৰ মিন্টু বড়োৱে ৯ মিনিটত, আক্ৰাং নাৰ্জাৰীয়ে ১৪ মিনিটত আৰু মিলন বসুমতাৰীয়ে ১৮ মিনিটত গ'ল দি কেৰালা দলক ব্যতিব্যস্ত কৰি তোলে। মাত্ৰ ৯ মিনিটত তিনিটাকৈ গ'লত পিছ পৰি থকা কেৰালা দলে বিৰতিৰ সময়লৈ গ'ল পৰিশোধ কৰিব নোৱাৰে। বিৰতিৰ পাছত যোৱাবাৰৰ ৰানাৰ্ছ আপ কেৰালা দলে উভতি ধৰি আক্ৰমণ ৰচনা কৰে যদিও বিপক্ষৰ ৰক্ষণ বিভাগক পৰাস্ত কৰাত ব্যৰ্থ হয়। ফলত নীৰস খেলখনত অইল দল ৩-০ গ'লত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰে। কাইলৈ প্ৰতিযোগিতাৰ কোনো খেল নাই। ছেমিফাইনেল খেল দুখন অনুষ্ঠিত হ'ব অহা ২১ আৰু ২২ ছেপ্টেম্বৰত।

# কাকজান উপ-ক্ৰীড়া সন্থা ছেমিফাইনেলত

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত যোৰহাট ষ্টেডিয়ামত অনুস্থিত হোৱা আন্তঃ উপ ক্ৰীড়া সন্থা লীগ ফুটবল প্ৰতিযোগিতাত আজিৰ খেলত কাকজান উপ ক্ৰীড়া সন্থাই টিয়ক উপ ক্ৰীড়া সন্থাক ৬-১ গ'লত পৰাভূত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কাকজানৰ হৈ ডেনিয়েল চাওৰাই চাৰিটা, বিনয় চেতিয়া আৰু অংকুমনি বড়াই এটাকৈ গল দিবলৈ সক্ষম হয়। আনহাতে টিয়কৰ হৈ প্ৰাঞ্জল চাহানীয়ে একমাত্ৰ গলটো দিয়ে। ছেমিফাইনেলত কাকজান মুখামুখি হব পূৱ যোৰহাটৰ। আনখন ছেমিফাইনেলত অংশ গ্ৰহণ কৰিব উত্তৰ পূৱ ক্ৰীড়া সন্থা আৰু মৰিয়নীয়ে। ফুটবল বিভাগৰ সম্পাদক ফাইজউদ্দিন আহমেদে অৱগত কৰিছে যে দূৰ্গাপূজা পিছত ছেমিফাইনেল আৰু ফাইনেল অনুষ্ঠিত হ'ব। **যোৰহাটত ফুটবল প্ৰশিক্ষণ শিবিৰ আৰম্ভ ঃ** যোৰহাট জিলা ক্ৰীড়া সন্থাই আজিৰ পৰা প্ৰশিক্ষক হেমিদুৰ ৰহমানৰ নেতৃত্বত ১৭ বছৰ অনুৰ্ধ খেলুৱৈৰ বাবে ফুটবল প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰিছে। শিবিৰৰ শুভাৰম্ভনি কৰে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক জুল খাউণ্ডে, ফুটবল বিভাগৰ সহকাৰী সম্পাদক দিগন্ত দত্তই আতধৰা অনুষ্ঠানত যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি দ্বিজেন শইকীয়া, চিৰঞ্জীৱ বড়া, যুটীয়া সম্পাদক বিমান বুঢ়াগোহাই, ফুটবল সম্পাদক ফাইজউদ্দিন আহমেদ, সদস্য জগত বড়া উপস্থিত থাকে। শিবিৰত ৭০ গৰাকীৰ অধিক ফুটবল খেলুৱৈয়ে অংশ গ্ৰহণ কৰিছে।

### মইনবৰীত হংসকাপ চূড়ান্ত ফুটবল খেল প্ৰতিযোগিতা

# মইনবৰী আঞ্চলিক ফুটবল দল ৪-১ গ'লত বিজয়ী



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কলগাছিয়া, ১৯ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ কলগাছিয়াৰ পশ্চিম মইনবৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত হংসকাপ চূড়ান্ত ফুটবল খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। মইনবৰী আঞ্চলিক যুৱ সংঘৰ সৌজন্যত অনুষ্ঠিত হংসকাপ চূড়ান্ত ফুটবল খেলখন মইনবৰী টি দল আৰু মইনবৰী আঞ্চলিক দলৰ মাজত অনুষ্ঠিত হয়। খেলখনত মইনবৰী আঞ্চলিক দলে ৪-১ গ'লত মইনবৰী টি দলক পৰাস্ত কৰিবলৈ সক্ষম হয়। নিৰ্ধাৰিত সময়লৈকে খেলখনত মইনবৰী আঞ্চলিক দলে বিজয়ী হৈ প্ৰথম পুৰস্কাৰ হংসকাপ ট্ৰফী লাভ কৰি যথেষ্ট উৎফুল্ল হোৱা পৰিলক্ষিত হয়। উক্ত চূড়ান্ত ফুটবল খেল প্ৰতিযোগিতা অনুষ্ঠানত উপস্থিত থাকে ৫নং চতলা জিলা পৰিষদৰ সদস্য নুৰুল তালুকদাৰ, ৭৬নং মইনবৰী গাঁও পঞ্চায়তৰ সভাপতি হাছান আলী, মইনবৰী আৰক্ষী চকীৰ আৰক্ষী বিষয়া নুৰুল তালুকদাৰ, পশ্চিম-উত্তৰ মইনবৰী গাঁৱৰ গাঁওপ্ৰধান তাহেৰ মণ্ডলৰ লগতে বিশিষ্ট ব্যক্তি আৰু হাজাৰ হাজাৰ ৰাইজ উপস্থিত থাকি আকৰ্ষণীয় হংসকাপ চূড়ান্ত ফুটবল খেলখন উপভোগ কৰে। খেলখন অনুষ্ঠিত কৰাৰ বাবে বৃহত্তৰ অঞ্চলৰ ক্ৰীড়াপ্ৰেমী ৰাইজ আৰু বিশিষ্ট ব্যক্তিসকলে উদ্বোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মইনবৰী অঞ্চলৰ উঠি অহা প্ৰজন্মই যাতে প্ৰতিষ্ঠিত খেলুৱৈ হয় তাৰ বাবে আহ্বান জনায়।

# স্বাধীনতা দিৱস কাপ ফুটবলত অইল ইণ্ডিয়া ছেমিফাইনেলত

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেল লীগৰ অন্তিমখন খেলত আজি দুলীয়াজানৰ অইল ইণ্ডিয়া ফুটবল ক্লাবে চমকপ্ৰদ প্ৰদৰ্শনৰে যোৱাবাৰৰ ৰানাৰ্ছ আপ কেৰালা ইউনাইটেড এফচিক ৩-০ গ'লত হৰুৱাই নিজ গ্ৰুপত শীৰ্ষস্থান অৰ্জনৰে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে, এইটো গ্ৰুপত অসম ৰাইফলছ দলে দ্বিতীয়স্থানৰে ছেমিফাইনেলত স্থান সুৰক্ষিত কৰে। মিণ্টু বড়ো, আক্ৰাং নাৰ্জাৰী আৰু মিলন বসুমতাৰীয়ে অইল ইণ্ডিয়াৰ হৈ গ'লকেইটা দিয়ে। দিবা-নৈশ খেলখন পৰিচালনা কৰাত ৰেফাৰী বাজু টিছক্সক সহায় কৰে চাহজাহান আলী চৌধৰী, নিৰ্মল ভটাচাৰ্যী আৰু পবিত্ৰ বৰাই। প্ৰতিযোগিতাৰ কাইলৈ কোনো খেল নাই। অহা ২১ ছেপ্টেম্বৰত প্ৰথমখন ছেমিফাইনেলত দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিয়ে নগাঁৱৰ সঞ্জীৱন সমাজৰ বিৰুদ্ধে খেলিব।


## NOTICE INVITING TENDER

Sealed Quotations affixing CFS of Rs. 8.25 (Eight rupees and twenty five paisa only) (Non- refundable) are hereby called from the Govt. registered suppliers/ firms to supply following furniture, Almirah, Wardrobe and Computer Printers with scanner during the financial year 2022-23 and till 31.03.2023.

| Sl. No | Furniture, Wardrobe and computer printer | Rate (including GST) |
|---|---|---|
| 1 | Official Table with drawer (big size) | Per piece. |
| 2 | Computer table (standard) | Per piece. |
| 3 | Official Chair (standard) | Per piece. |
| 4 | Chair (for Court Purpose) | Per piece. |
| 5 | Bookshelf (standard) | Per piece. |
| 6 | Almirah (Godrej) | Per piece. |
| 7 | Wardrobe ( Godrej) | Per piece. |
| 8 | Computer Printers with scanner (HP Laser MFP 136a) | Per piece. |

The envelope containing the quotation must be quoted as **"QUOTATION FOR SUPPLY OF FURNITURE, ALMIRAH, WARDROBE AND COMPUTER PRINTERS WITH SCANNER'** in block letters. The interested parties/firms need to submit their sealed quotations in the office of the undersigned within 15(fifteen) days from the date of uploading of this order in the official website of Dibrugarh District Judiciary, during office hours. For details, please visit **http://dibrugarhjudiciary.gov.in/.**

Quality, rate and immediate service etc. shall be the criteria for acceptance of quotations.

**TERMS AND CONDITIONS :-**

i. The quotation must be accompanied with copies of valid registration certificate, trade license ,GST registration certificate of the firm.
ii. The selected firm needs to submit original copies of all the foreside documents for scrutiny as and when directed.
iii. The GST rate should be quoted separately.
iv. The rates quoted shall be valid for the period till 31.03.2023
v. The undersigned reserves the right to cancel the order at any time in case of violation of terms and conditions.
vi. Quotations submitted after the stipulated time will summarily be rejected.

-2-

No further communication shall be made in this regard except with the selected party/firm


Further the registered Suppliers/Firms shall have to furnish the certificate of GST registered/ trade license along with the quotations.

Inform all the concerned accordingly

Sd/-
Sub-Divisional Judicial Magistrate(M)
Naharkatia

Janasanyog /C/10388/22





# জনজাতিকৰণৰ দাবীত অটল মটক যুৱ-ছাত্ৰ সন্মিলন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ১৯ ছেপ্টেম্বৰ ঃ** আজি ডিব্ৰুগড় বাণীপুৰস্থিত মটক ভৱনত সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ এখন গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। সন্মিলনৰ স্থায়ী সভাপতি ৰঞ্জিৎ গোহাঁয়ে সভাপতিত্ব কৰা উক্ত সভাত কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা ধৰণী গোহাঁই, উপদেষ্টাত্ৰয় ক্ৰমে মিন্টু বৰপাত্ৰ, বিনোদ পাত্ৰ আৰু অৰূপ বৰুৱা, উপ-সভাপতিত্ৰয় অজয় গগৈ, প্ৰশান্ত চেতিয়া আৰু বুলবুল নেওগ, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁই, সহঃ সাধাৰণ সম্পাদকত্ৰয় ৰূপজ্যোতি বুঢ়াগোহাঁই, নিৰূপম দুৱৰা আৰু দেৱজিৎ বৰুৱা(কনিষ্ঠ), তথ্য আৰু প্ৰচাৰ সম্পাদক গোলাপ লাহন,পৰিৱেশ আৰু পৰ্যটন সম্পাদক গিৰীশ পাত্ৰ, সাংগঠনিক সম্পাদকত্ৰয় দেবু কোঁৱৰ, অৰূপ গগৈ আৰু শৰৎ হাজৰিকা, ক্ৰীড়া সম্পাদক উজ্জ্বল গোহাঁই, বিত্ত সম্পাদক সৌৰভ খাউণ্ড, সাংস্কৃতিক সম্পাদক মিন্টু বৰচেতিয়া, কাৰ্যালয় সম্পাদক মখেশ্বৰ গগৈ আৰু কাৰ্যনিৰ্বাহক সদস্য মনোৰঞ্জন বৰপাত্ৰ, সাতোখন জিলাৰ সভাপতি-সম্পাদক প্ৰমুখ্যে কৰি অন্যান্য বিষয়ববীয়া উপস্থিত থাকে। কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ প্ৰায় অৰ্ধশতাধিক বিষয়ববীয়া উপস্থিত থকা সভাই সাংগঠনিক বিভিন্ন দিশত তথা ছয় জনগোষ্ঠীয় ঐক্যমঞ্চৰ দ্বাৰা জনজাতিকৰণৰ দাবীত সদ্য ঘোষিত আন্দোলন কাৰ্যসূচী সঠিক ৰূপায়ণৰ সন্দৰ্ভত চাৰি ঘণ্টাজোৰা পুংখানুপুংখভাৱে আলোচনাৰ অন্তত সভাই সৰ্বসন্মতিক্ৰমে সৰ্বমুঠ ৭(সাত) টাকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰে বুলি এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিব দিছে।

### নগাঁৱৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয় ডিউকেয়াৰ হাস্পতাল আৰু ৰিছাৰ্চ চেণ্টাৰৰ অষ্টম বৰ্ষপূৰ্তি অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা

# ডিউকেয়াৰ হাস্পতালে নগাঁৱৰ স্বাস্থ্যখণ্ডত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে ঃ ৰূপক শৰ্মা




**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ব্যক্তিগত খণ্ডৰ অগ্ৰণী চিকিৎসালয় ডিউকেয়াৰ হাস্পতাল আৰু ৰিছাৰ্চ চেণ্টাৰে চলিত বৰ্ষত অষ্টম বৰ্ষত ভৰি দিলে। সাত বছৰীয়া সফল স্বাস্থ্য সেৱা প্ৰদানৰ পৰিক্ৰমাৰ অন্ততঃ কালি চিকিৎসালয়খনৰ প্ৰাংগণত উলহ-মালহৰে অনুষ্ঠিত হয় বৰ্ষপূৰ্তিৰ কাৰ্যসূচী। চিকিৎসালয়খনৰ বৰ্ষপূৰ্তি কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। চিকিৎসালয়খনৰ বৰ্ষপূৰ্তি অনুষ্ঠানত উপস্থিত থাকি বিধায়ক ৰূপক শৰ্মাই কয় যে ডিউকেয়াৰ হাস্পতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰে বিগত দিনসমূহত নগাঁৱৰ স্বাস্থ্য খণ্ডত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ডিউ কেয়াৰ হাস্পতালে চিকিৎসা সেৱাৰ জৰিয়তে মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছে। ডিউকেয়াৰ হাস্পতালৰ পৰিচালন সঞ্চালক তথা বিশিষ্ট চিকিৎসক ডাঃ ফৰিদুল হুছেইন যথেষ্ট দৰদী ব্যক্তি। তেওঁ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ মানুহৰ চিকিৎসা সেৱাৰ ক্ষেত্ৰত যথেষ্ট সহায়ৰ হাত আগবঢ়াই আহিছে। আমাৰ ফালৰ পৰা কোনো ব্যক্তি বিশেষক চিকিৎসা সেৱাৰ ক্ষেত্ৰত সহায় কৰিবলৈ আহ্বান জনালে হুছেইনে এই ক্ষেত্ৰত যোগাত্মক সঁহাৰি আগবঢ়াই আহিছে। ক'ভিড কালত ৰোগীৰ চিকিৎসা তথা ৰোগীক ৰখাৰ ক্ষেত্ৰত ডিউ কেয়াৰ হাস্পতালে সৰ্বপ্ৰথমে আমাক সহযোগিতা আগবঢ়াই ছিল আৰু আৰটিপিচিআৰ ৰিপ'ৰ্টতো সোনকালে লাভ কৰা ব্যৱস্থা গ্ৰহণ কৰিছিল। বিধায়কগৰাকীয়ে লগতে কয় যে বৰ্তমান নগাঁৱত বহু ব্যক্তিগত খণ্ডৰ চিকিৎসালয় প্ৰতিষ্ঠা হৈছে। যিমান চিকিৎসালয় হ'ব সিমানেই ভাল। কিয়নো চিকিৎসালয় বেছি হ'লে ৰোগীয়ে নগাঁৱতে উন্নত মানৰ চিকিৎসা সেৱা লাভ কৰিব পাৰিব। শিক্ষা ক্ষেত্ৰত যিদৰে নগাঁও এতিয়া সমগ্ৰ অসমৰ ভিতৰতে শৈক্ষিক নগৰীলৈ ৰূপান্তৰ হৈছে একদৰে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰতো মধ্য অসমৰ জনসাধাৰণৰ বাবে নগাঁৱতো উন্নত মানৰ চিকিৎসালয় গঢ় লৈ উঠাটো বিচাৰোঁ বুলিও বিধায়কগৰাকীয়ে মন্তব্য আগবঢ়ায়। বিধায়কগৰাকীয়ে লগতে কয় যে আশাকৰোঁ ভৱিষ্যৎ দিনতো চিকিৎসা সেৱাৰ ক্ষেত্ৰত জনসাধাৰণে ডিউ কেয়াৰ হাস্পতালৰ পৰা উন্নত চিকিৎসা সেৱা লাভ কৰি যাবলৈ সক্ষম হ'ব। বিশিষ্ট চিকিৎসক তথা ডিউকেয়াৰ হাস্পতালৰ পৰিচালন সঞ্চালক ডাঃ ফৰিদুল হুছেইনে আদৰণী ভাষণ আগবঢ়োৱা সভাখনত নগাঁও জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অৰূপজ্যোতি মহন্ত, প্ৰাক্তন যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ অতুল পাটৰ, জ্যেষ্ঠ চিকিৎসক ডাঃ অজিত গোস্বামী, ডাঃ ৰঞ্জন গোস্বামী, চি আৰ পি এফৰ ৩৪ বেটেলিয়নৰ কমাণ্ডেণ্ট শিৱশংকৰ উপাধ্যায়, দ্বিতীয় কমাণ্ডেণ্ট সতবীৰ সিং, ডিউকেয়াৰ হাস্পতালৰ সঞ্চালক নাচৰিন আহমেদ চৌধুৰী, চিকিৎসালয়খনৰ কাৰ্যবাহী সঞ্চালক ডাঃ মঞ্জুল ইছলাম প্ৰমুখ্যে চিকিৎসালয়খনৰ চিকিৎসক ক্ৰমে ডাঃ ৰিয়াজ উদ্দিন আহমেদ, ডিউকেয়াৰ হাস্পতালৰ উপ-অধীক্ষক তথা বিশিষ্ট শিশু চিকিৎসক ডাঃ অঞ্জন বৰা, ডাঃ আৰিফুল হক, ডাঃ অম্লানজ্যোতি বৰা, ডাঃ আশ্ৰাফুল হক লস্কৰ, ডাঃ মিৰ্জানুৰ হুছেইনৰ লগতে কে'বাগৰাকীও জ্যেষ্ঠ, কনিষ্ঠ চিকিৎসক আৰু চিকিৎসালয়খনৰ চিকিৎসা কৰ্মী, কৰ্মচাৰীৰ লগতে শুভাকাংক্ষী ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে বৰ্ষপূতিৰ্ৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি চিকিৎসালয়খনৰ প্ৰাংগণত নতুনকৈ স্থাপন কৰা অক্সিজেন প্লাণ্টটিও দেওবাৰে আনুষ্ঠানিকভাৱে মুকলি কৰে বিধায়ক ৰূপক শৰ্মাই।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে অনুষ্ঠিত সেৱা পষেকৰ লগত সংগতি ৰাখি বটদ্ৰৱাত ৰক্তদান শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ১৯ ছেপ্টেম্বৰ ঃ** 'ৰক্তদান মহান দান, ৰক্তদান জীৱন দান' এই বাক্য সাৰোগত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে বটদ্ৰৱাত অনুষ্ঠিত হৈছে ৰক্তদান শিবিৰ। দেশজুৰি ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ পালন কৰা হৈছে সেৱা পষেক। এই সেৱা পষেকৰ লগত সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টীৰ কলিয়াবৰ জিলা সমিতিৰ উদ্যোগত, ভাৰতীয় জনতা যুৱ মৰ্চাৰ সহযোগত আজি অনুষ্ঠিত হৈছে এই ৰক্তদান শিবিৰ। সেৱাই সংগঠন, এই উদেশ্যে অনুষ্ঠিত ৰক্তদান মহোৎসৱত অংশগ্ৰহণ কৰি ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৯৩গৰাকী যুৱক-যুৱতীয়ে ৰক্তদান কৰি সেৱা ধৰ্ম পালন কৰে। লোকনিৰ্মাণ বিভাগৰ বটদ্ৰৱাৰ পৰিদৰ্শন বাংলাত অনুষ্ঠিত এই ৰক্তদান শিবিৰত কলিয়াবৰ জিলা যুৱ মৰ্চাৰ সভাপতি পৱিত্ৰ ওজা, লক্ষীৰঞ্জন কাকতি, চন্দ্ৰামিকা কলিতা, নিতুল বৰুৱা, অনুজ বৰুৱা, দুৰ্লভ বৰাকে আদি কৰি কে'বাগৰাকী ব্যক্তিয়ে অংশ গ্ৰহণ কৰে।

### খৰি বিক্ৰী কৰি পৰিয়াল পোহ-পাল দিয়া ৰাণী সজ্জনপাৰাৰ বীণা বড়োৰ ঘৰত আজি আনন্দৰ বন্যা

# কন্যা লুকুমণিয়ে পালে আৰক্ষী কমাণ্ডো

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৯ ছেপ্টেম্বৰ ঃ** অসম আৰক্ষীত উপ-পৰিদৰ্শক, কনিষ্টবল, কমাণ্ডোকে ধৰি কালি ঘোষণা কৰা ৫,২০০টা নিযুক্তিৰ ফলাফল ঘোষণা কৰাৰ পাছত ৰাজ্যৰ আন প্ৰান্তৰ লগতে গুৱাহাটীৰ পশ্চিমপ্ৰান্তৰ বৃহত্তৰ ৰাণী অঞ্চলতো মেধাসম্পন্নৰ নিযুক্তিত আনন্দমুখৰ পৰিৱেশ বিৰাজ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত অসম আৰক্ষীৰ ক্ৰীড়া কেটেগৰীৰ কমাণ্ডো বেটেলিয়নত নিযুক্তি পাৱলৈ সক্ষম হৈছে ৰাণীৰ সজ্জনপাৰাৰ দুখীয়া-দৰিদ্ৰ পৰিয়ালৰ লুকুমণি বড়োৱে। দীৰ্ঘদিনে ৰাণী অঞ্চলটোৰ একমাত্ৰ ক্ৰীড়া প্ৰশিক্ষণৰ প্ৰশিক্ষণ কেন্দ্ৰ 'ৰাণী ক'চিং চেণ্টাৰ'ত সুদক্ষ ফুটবল প্ৰশিক্ষক ক্ৰমে হেম দাস আৰু গোবিন্দ বড়োৰ ওচৰত ফুটবল প্ৰশিক্ষণ গ্ৰহণ কৰি ৰাজ্যৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়তো পদক বুটুলিবলৈ সক্ষম হৈছিল এই পৰিয়ালটোৰ এইগৰাকী লুকুমণিয়ে। ৰাণী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত আৰ্থিক অভাৱ-অনাটনৰ বাবেই লুকুমণি বড়োৱে নিজৰ শৈক্ষিক জীৱন সামৰিব লগীয়া হৈছিল। পৰৱৰ্তী সময়ছোৱাত খেল-ধেমালিত অধিক মনোনিৱেশ দিছিল যদিও বহু ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছিল। এই ক্ষেত্ৰত পিতৃ সন্তোষ বড়ো, মাতৃ বীণা বড়োৰ লগতে ভায়েকেও লুকুমণিক আগুৱাই যোৱাত যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। অসুস্থতাৰ বাবেই সম্প্ৰতি এফালে পিতৃয়ে চিকিৎসালয়ৰ বিছনাত ছট্‌ফটাই কন্যাৰ নিযুক্তিত উৎফুল্ল হৈছে। নিযুক্তিৰ খবৰ শুনি ৰাণী ক'চিং চেণ্টাৰৰ সম্পাদক দীপজ্যোতি বড়ো, বিত্ত সম্পাদক ভাইটি বড়ো, সহকাৰী সম্পাদক হীৰামন দৈমাৰী, সদস্য গকুল বড়োৱে আজি পুৱা লুকুমণি বড়োৰ বাসগৃহত উপস্থিত হৈ শুভেচ্ছা জনোৱাৰ লগতে যাৱতীয় খৰচ-পাতিৰ বাবে ৰাণী ক'চিং চেণ্টাৰে ২০ হাজাৰ আৰ্থিক অনুদান আগবঢ়াই লুকুমণিৰ হাতত।









সত্যমেৱ জয়তে
Azadi Ka Amrit Mahotsav
অসম চৰকাৰ
প্ৰত্নতত্ত্ব সঞ্চালকালয়, অসম
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগ
সজাগতা সভা
"অসমৰ প্ৰত্নতাত্ত্বিক ঐতিহ্যৰ সংৰক্ষণ"
শদিয়া মহাবিদ্যালয়ৰ সহযোগত
তাৰিখ ঃ ২০ ছেপ্টেম্বৰ, ২০২২ ■ সময় ঃ পুৱা ১১ বজাৰ পৰা
মুখ্য অতিথি ঃ শ্ৰীযুত বলিন চেতিয়া, মাননীয় বিধায়ক, শদিয়া বিধান সভা সমষ্টি।
সন্মানীয় অতিথি ঃ শ্ৰীযুত ঋতুপৰ্ণ বৰুৱা, অধ্যক্ষ, অসম পৰ্যটন বিকাশ নিগম।
আমন্ত্ৰিত অতিথি ঃ শ্ৰীযুত টিকা ৰাম শৰ্মা, যুটীয়া সঞ্চালক প্ৰধান (উত্তৰ-পূৱ অঞ্চল), ভাৰতীয় পুৰাতাত্ত্বিক জৰীপ বিভাগ, গুৱাহাটী সংমণ্ডল।
বিশিষ্ট অতিথি ঃ শ্ৰীযুত অনুপম ডেকা, অঃ আঃ সেঃ, মহকুমাধিপতি, শদিয়া।
শ্ৰীযুত বলিন দেউৰী, অঃ আঃ সেঃ, অধিনায়ক, ২১ নং বেটেলিয়ান, অসম পুলিচ, কাটলিচেৰা, হাইলাকান্দি, অসম।
স্থান ঃ শদিয়া মহাবিদ্যালয়, চপাখোৱা, তিনিচুকীয়া জিলা
Janasanyog/D/12424/22


শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি